# গল্প

কণ্ঠি বৰগোহাঁই
৩য় বাৰ্ষিক কলা

# ॥ কৈফিয়ৎ ॥

তাৰ পাচত হাজাৰ চেষ্টা কৰিও মই কোনোমতেই সুস্থিৰ হব পৰা নাই। সান্ত্বনা দিবলৈ মোৰ ওচৰত কোনো নাই। এখন সহানুভূতিশীল হৃদয়ৰ অভাৱ আগতেও অনুভৱ কৰিছিলো যদিও ইমান গভীৰভাৱে কাহানিও অনুভৱ কৰা নাছিলো।

আজি কেইবাদিনো কলেজলৈ যোৱা নাই। আৰু নেযামেই নেকি জানো! কালি এখন চিঠি আপোনালৈ ৰেজিষ্ট্ৰাৰ কৰি পঠাইছো। এইখনো সেই একেখন চিঠিৰেই গৰ্ভ। গতিকে ইয়াত আৰু ইয়াৰ পিচৰ চিঠিৰ টুকুৰাবোৰত আৰম্ভণি আৰু সামৰণি থাকিব কিন্তু সম্বোধন আৰু চিঠি সামৰি লিখা পত্ৰ লিখকৰ নামটো নেথাকিব। আটাইখিনি পঢ়ি উঠাৰ পাচত আপুনিয়েই কবচোন মই কি কৰা উচিত।

সঁচাই কৈছো নবৌ, আপুনি লক্ষ্মী। আপুনি আমাৰ কেৱল নবৌৱেই নহয়। মা নোহোৱা ঘৰখনত আপুনি আমাৰ মাতৃস্বৰূপা। ককাইদেউৰ কপাল ভাল লক্ষ্মী স্বৰূপা আপোনাক সহধৰ্মীনী স্বৰূপে পালে। আমাৰ সৌভাগ্য বিলাই শেষ নোহোৱা এখনি মৰমি হৃদয়ৰ এগৰাকী গাভৰুক নবৌ হিচাপে পালো। মই অকনো বঢ়াই বা অতিৰঞ্জিত কৰি কোৱা নাই নবৌ। আপুনি নোহোৱাহলে আমাৰ ঘৰখনৰ যে ইমান দিনে কি দুৰাৱস্থা নহ'লহেঁতেন। ভাবিলেই গাৰ নোম শিয়ৰি উঠে। মা নোহোৱা হোৱাৰ পৰা দেউতাৰ মগজও ঠিক নাইকিয়া হ'ল। কেতিয়া ৰুষ্ট কেতিয়া তুষ্ট ধৰিব নোৱাৰি। তেনে অৱস্থা আৰু পৰিৱেশতে থাকিব লগা হোৱাহেঁতেন মই ইমানখিনি আগবাঢ়িব নোৱাৰিলোহেঁতেন। ভাইটি কেশৱক এতিয়াৰ দৰে হাতত কিতাপ বহী দি স্কুললৈ পঠোৱাৰ পৰিবৰ্ত্তে হাতত এছাৰি দি আনৰ গৰু ৰাখিবলৈ পঠাব লাগিলহেঁতেন। ছায়া আৰু মায়াক আনৰ ঘৰত লৰা ভাৰি পাতি পেট পৰ্ত্তাবলৈ দিব লাগিলহেতেন। ঠিক তেনে এটা দুমোজাতে আমাৰ ঘৰলৈ লক্ষ্মী সোমাইছিল—আপুনি—ন কইনাৰ সাজত। দৰা কইনা খেলি, খেলাৰ সামগ্ৰীবোৰ সৰু লৰাই অত তত সিচৰিত কৰি পেলোৱাৰ পাচত গোটাই আনি আকৌ বিচাৰিলে দিব পৰাকৈ চপাই বুটলি গোটাই থোৱাৰ নিচিনাকৈ আমাৰ সিচৰিত

মনবোৰ মাত্ৰ এঠাইত নিয়োগ কৰালে—পঢ়াত। ছায়া আৰু মায়াক পিন্ধাই উৰাই কিতাপ ফলি দি স্কুললৈ পঠালে । কেশৱক গাৱঁৰ লৰাৰ লগত আনৰ বাৰীৰে বাৰীৰে ঘূৰি নুফুৰি পঢ়িবলৈ বুজনি দিলে। মেট্ৰিক পাচ কৰিয়েই পঢ়াৰ সামৰণি মাৰিম বুলি ভবা মোকো আপুনিয়েই কলেজত পঢ়িবলৈকো ঠেলি দিলে। মই সন্মতি দিয়া নাছিলো। আপুনি কৈছিল—জীৱনত টকাই সকলো নহয়। যাৰ টকা আছে তাৰ শান্তি নাই ; আৰু যাৰ শান্তি আছে তাৰ টকা নাই। যোৱা সোন, এবছৰৰ বাবে হলেও কলেজখন গৰকি অহাগৈ। ঈশ্বৰ আমাৰ সহায় হব" । আপোনাৰ যুক্তিত পতিয়ন গৈছিলো। সঁচাই নবৌ সেইদিনা আপোনাৰ প্ৰতি মোৰ অন্তৰে শতবাৰ আপোনাক প্ৰণি-পাত জনাইছিল।

ককাইদেউ আৰু আপোনাৰ সৈতে পৰামৰ্শ কৰি, দেউতাৰ পৰা অনুমতি লৈ মই আহি এদিন কলেজত নাম লিখালোহি।

মোৰ কৃতকাৰ্য্যতাৰ কাৰনেই হবলা আপোনালোক নিৰুৎসাহ হোৱা নাছিল। প্ৰাক-বিশ্ববিদ্যালয়ৰ এবছৰীয়া কৰ্চটোৰ শেষ পৰীক্ষাত কৃতকাৰ্য্য হোৱাৰ পাচতো বি, এ, শ্ৰেণীত নাম লগাবলৈ আগবঢ়াই দিলে। এই সময় ছোৱাত ঘৰখন কেনেকৈ চলিছে সেয়া এক-মাত্ৰ আপুনি আৰু ককাইদেৱেহে জানে। ঘৰ সংসাৰৰ কথা ভাবিবলৈ মোক অকনো অবকাশ দিয়া নাই। তাৰ পৰিবৰ্ত্তে মাত্ৰ আপোনাৰ পৰা ঘনকৈ পোৱা চিঠিবোৰে মোক ইঙ্গিত কৰে—তুমি ঘৰৰ কাৰণে অকনো চিন্তা নকৰিবা। সোনকালে তুমি সফলতা লাভ কৰি ওলাই আহা সোন। দেউতাই যে তোমালৈকে বাট চাই আছে বৰমইনা।

জীৱন যুদ্ধত ডেউকা ভঙা কোঙা মন এটাক দিগন্তৰ সীমা চেৰাই যাব পৰাৰ অনুপ্ৰেৰণা আপোনাৰ চিঠিত থাকে। নিৰাশ ডেকা মন এটাই মন সজীৱ কৰা আপোনাৰ উদগনিত ক্ষণিকৰ বাবে হলেও সকলো চিন্তা তল পেলাই ভাবিষ্যত ভাবি পঢ়াত লাগো। কিন্তু আনক ভুৱা দি ৰাখিব পাৰিলেও নিজক ভুৱা দি ৰাখিব নোৱাৰি, মনটো উৰি যায় গাঁৱৰ ঘৰলৈ। মানস পটত ভাঁহি উঠে অভাৱ অভিযোগে জলা কলা কৰা এখন ঘৰৰ নগ্ন ছবি। পঢ়াৰ পৰা উঠি আহো। জীৱনৰ আন্ধাৰ ভবিষ্যতে, সংসাৰৰ গধুৰ দায়িত্বই মোৰ ডেকা মনটোক কোঙা কৰি পেলায়। বিচনাত পৰি পৰি আপোনাৰ চিন্তা ক্লিষ্ট মুখখন দেখিবলৈ পাওঁ। ভনী কেইজনীৰ হাঁহিব নজনা শুকান মুখ কেইখনৰ কথা ভাবি মনটো হাঁহাকাৰ কৰি উঠে।

ককাইদেউৰ প্ৰাইমেৰী স্কুলৰ শিক্ষকতাৰ বেতনে যে আজিৰ যুগত এখন সংসাৰ চলাই কঠিন এই কথা মই জানো। তেনেস্থলত এটা লৰাৰ কলেজৰ খৰচ যোগাৰ হব কৰপৰা। কেশৱ আৰু ছায়াহঁতৰ স্কুলৰ মাচুলৰ উপৰিও কাপোৰ কানিৰ খৰচ আছেই। সকলো মাত্ৰ খৰচ কৰাত। আৰ্জনৰ পথ মাত্ৰ ককাইদেউৰ চাকৰিটো। আৰু দেউতাৰ পৈতৃক সম্প্ৰতি হিচাবে বছৰৰ মূৰকত টনা টনিকৈ খাবলৈ জোৰাকৈ ধান পোৱা মাটি কেউৰা।

আমি যিমানৰ মানুহ সিমানতেই থকা বাঞ্চনীয় নবৌ। মিছাতে বাওনা হৈ চন্দ্ৰলৈ হাত

মেলি হাত বিযোৱালে কি হব। কঠুৱা শিলনিৰ ওপৰত কাহানিও পদুম নুফুলে।

আপোনালৈ মই টকা খুজি কাহানিও চিঠি লিখিব লগা হোৱা নাছিল। আপুনি সৰব-জ্ঞান নবৌ। মোৰ টকা শেষ হোৱাৰ ঠিক মূৰে মূৰে আপোনাৰ পৰা সামান্য লঘূ অঙ্কৰ টকা পাইছিলো লগতে এখন চিঠি। প্ৰতি বাৰেই চিঠিত আপুনি লিখে এইবাৰ যেনে তেনে এটা নতুন চাৰ্ট লবা সোন। অহাবাৰলৈ পাৰিলে পেণ্ট এটা লবা। কিন্তু আপোনাক কেনেকৈ জনাম নবৌ আপুনি পঠোৱা সেই কেইটা টকাৰে আজিৰ দিনত হাত খৰচ কৰি এটা নতুন চাৰ্টৰ কথা চিন্তা কৰিব নোৱাৰি

দিন বোৰ আগ বাঢ়ে।
নতুন চাৰ্ট লোৱা মোৰ কোনো দিনেই হৈ নুঠে।

পুৰণা চাৰ্টৰ জোৰা টাপলিৰ সংখ্যা বাঢ়ে। লগৰ কলেজীয়া লৰা দুই চাৰিজনে মোক লক্ষ্য কৰি নিক্ষেপ কৰা বিদ্ৰুপৰ বান হিচাব কৰিব নোৱাৰা হয়। মোৰ অন্তৰখন থকা- সৰকাহয়।

বিলাসীতাই মনুহ নগঢ়ে। ধন ঐশ্বৰ্য্যই মানুহক ডাঙৰ নকৰে। দেউতাৰ এই উপদেশ বৰ্ত্তমান যুগত অৰ্থহীন যেন লাগিছে। মোৰ পক্ষে এতিয়া এইবোৰ মানি চলা কঠিন হৈ পৰিছে। কাৰণ যুগ স্ৰষ্টা সময় নহয়, মানুহহে। বৰ্ত্তমান যুগৰ ক্ষমতা বলিয়া মানুহে মানুহক মূল্য দিয়ে ধনেৰে — জ্ঞান আৰু সততাৰে নহয়। কিন্তু এই কথা মই দেউতাক কেনেকৈ বুজাম— যে সেই ৰামো নাই অযোধ্যাও নাই। একাপ চাহ আৰু এটা চিগাৰেটৰ বিনিময়ত দেশক বিকিব পৰা আমাৰ মানুহে জ্ঞান আৰু সততাৰ মূল্য দিবলৈ সদায়ে অপাৰগ।

বুঢ়া লুইতৰ পাৰৰ ডিবুৰু চহৰখন বহুত দিনৰ পুৰণি। লুইতৰ যিমান বয়স ডিবুৰুৰো। কিন্তু লুইতত সদ্য স্নাত ডিবুৰু কোনো দিনেই পুৰণি হব নেজানে। নহয়। নিত্য নতুন ডিবুৰুৰ বিভিন্ন ৰূপ। খেনোৱে ইয়াতে ঠেঙৰ ওপৰত ঠেং তুলি বাবু খাৱনে খাই আৰামত দিন কটাইছে আৰু খেনোৱে হাঁ-ভাত, হাঁ-কাপোৰ কৰি হাঁহাকাৰ কৰি মৰিছে। কোনোৱে টেক্সী দৌৱাই যুগৰ ৰাজকোঁৱৰ সাজিছে আৰু কোনোৱে মটৰৰ ধুলি, নৰ্দ্দমা, গেলা, গোন্ধ সেৱন কৰি মৰণক হাত বাউল দি মাতিছে।

ডিবুৰু চহৰৰ কলেজ কেইখনলৈ মনত বলিয়া ফাগুনৰ ৰংলৈ অলেখ ডেকা গাভৰু ছাত্ৰ-ছাত্ৰী আহে। দেহৰ সহস্ৰ হাতীৰ বল; অন্তৰত সম্ৰাজ্য জয়ৰ ক্ষুধা। ইয়াৰ কলেজ কেইখন খেনোৰ কাৰণে জীৱণৰ শিঙৰি ঘৰ আৰু খেনোৰ কাৰণে স্মৃতিৰ শ্মশান। বিভিন্ন ছাত্ৰ-ছাত্ৰীয়ে ভিন ভিন অভিজ্ঞতা আৰ্জ্জন কৰি এদিন ডিবুৰুৰ পৰা বিদায় লয়। আন এচাম আহে। নতুন জীৱনৰ পাতনি মেলে।

এইখন ডিবুৰুলৈকে ময়ো এদিন আহিছিলো উচ্চ শিক্ষা লাভ কৰি কিবা এটা হোৱাৰ মান-সেৰে। শিৰত আছিল দেউতাৰ হিয়া উবিয়াই দিয়া আৰ্শীৰ্ব্বাদ মনত বান্ধি আনিছিলো উপদেশ আৰু গাভৰু নবৌজনীৰ শেষ নোহোৱা উদগনি।

কলেজখন দেখি প্ৰথম দিনা মোৰ বুকুখন চিৰিং কৰি উঠিছিল। অবাক হৈছিলো। এই-খন কলেজ নে আহোম ৰজাৰ তলাতল ঘৰ। ডুমহলীয়া কলেজখন দেখি সেইদিনা মই মুৰকে পোৱা নাছিলো—কেনি কোন ফালে যাব লাগে।

ৰাজ প্ৰসাদ ৰাজ প্ৰসাদ লগা এইখন কলেজৰ অসংখ্য ছাত্ৰ-ছাত্ৰীৰ মাজৰে ময়ো এজন ছাত্ৰ হবলৈ পাই গৌৰৱ অনুভৱ কৰিছিলো। ভাবিছিলো। মই ভাগ্যবান সুখী।

কিন্তু আজি মই অনুভৱ কৰিছো মোৰ সমান দূৰ্ভগীয়া কোনো নাই। অসুখী কোনো নাই।

কলেজীয়া জীৱনৰ দিনবোৰ পুৰণি হৈ অহা লগে লগে মোৰ জীৱনলৈও হতাশাৰ চৰম দুৰ্যোগ নামি আহিছিল। প্ৰতিটো ৰৌদ্ৰ স্নাত পুৱাই মোক সকিয়াই দিছিল মোৰ দৈন্যতা। কানে কানে মোক যেন কোনোবাই ফুচ ফুচাই কৈছিল— যেনেদৰে আহিছিলা তেনেদৰে গুচি যা হত ভগা। তোৰ দৰে দৰিদ্ৰৰ কাৰণে কলেজীয়া জীৱন উপভোগ্য নহয়।

এনে বোৰ চিন্তাতেই মোৰ মনটো দিনক দিনে কোচখাই গৈছিল। হাজাৰ চেষ্টা কৰিও আজি কিছুদিনৰ পৰা পঢ়াত মন বহুৱাব পৰা নাই। আৰু নোৱাৰিমো কিজানি। সেই কাৰণে ভাবিছো মিছাতে খৰচ বঢ়াই থকাতকৈ ঘৰলৈকে গুচি যাওগৈ নেকি। আপুনি কি ভাবে জনাব চোন।

এইখন কলেজৰ অসংখ্য লৰাৰ মাজত মই অকলশৰীয়া সহায়হীন এটা প্ৰতিমূৰ্ত্তি। ৰূপৰ প্ৰতিযোগিতা ইয়াত চলে—গুণ বা শিক্ষাৰ নহয়। বিলাসীতাত বলীয়ান ইয়াৰ সৰহভাগ ছাত্ৰ ছাত্ৰী স্বভাৱ অথবা নৈতিকতাত নহয়। কলেজীয়া জীৱনত অনাবিল স্বাধীনতা আছে— এই সুযোগকে লৈ অধ্যাপকৰ সন্মুখতো ইহঁতৰ হাতৰ চিগাৰেট নুনুমাই, হাতৰ টিপতে লুকায়।

সাজপাৰত সমানে সমানে ফেৰ মাৰিব নোৱাৰিলে ইয়াত একে শ্ৰেণীৰে লৰা হলে কোনেও কাকো চিনি নেপায়। মোৰ ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম হোৱা নাই। সেয়ে সদায় মই অকলশৰীয়াকৈ সমনীয়া সঙ্গ ত্যাগ কৰি আতৰি ফুৰিব লগা হয়। তাতো মোৰ আপত্তি নাছিল। অকনো হতাশ হোৱা নাছিলো। নিতান্তই এটা প্ৰকৃত ছাত্ৰৰ দৰে অকলশৰেই নীৰবে আহিছিলো গৈছিলো আৰু সাধ্য অনুসাৰে পঢ়িছিলো। কিন্তু মই আৰু নোৱাৰো নবৌ। নিৰাশ হৈ হৈ মানুহ যেতিয়া নিৰাশাৰ শেষ বিন্দুত উপনীত হয় তেতিয়া সিহঁতে নোপোৱাৰ বেদনাত বেজাৰ নকৰি হঁহাৰ নিচিনাকৈ মই মোৰ এই বিফলতাৰ বাবে আক্ষেপ নকৰো। বৰং সুখী হম। কাৰণ নিঃসম্বল মানুহবোৰ খেয়ালী হোৱাৰ উপায় নাই। অভাৱ অভিযোগবোৰ আমাৰ জীৱনৰ নাকজৰী।

স্বাৰ্থ সন্মানতকৈ আত্ম সন্মান বেচি চোকা নবৌ। বিদ্ৰূপ সমালোচনাৰ সন্মুখীন হওঁ বুলি লগৰ লৰাবোৰৰ পৰা সদায় আতৰি ফুৰো। তথাপি জানো ৰক্ষা আছে। শ্ৰৱণ কৰণ, আকাৰ ইঙ্গিত আৰু চকু মুখৰ ভঙ্গীৰ দ্বাৰাও মানুহৰ মনৰ ভাব বুজিব পাৰি।

কলেজত বিভিন্ন ৰুচিৰ, ভিন ভিন মনৰ লৰা ছোৱালী আছে। এক শ্ৰেণীয়ে মাত্ৰ কিতাপকহে চিনি পায়। আন এক শ্ৰেণীয়ে আনক আহুকাল নিদিয়াকৈ তামচা কৰে আৰু আন এক শ্ৰেণীয়ে মেকুৰীৰ তামচা পাতি এন্দুৰৰ মৰণ ঘটায়। তাৰে এচামৰ চকুত অধ্যাপক সকলো হাৰি নেযায়। অৰ্থনীতিৰ অধ্যাপক কটকী চাৰ চুটি চাপৰ খৰটকীয়া কাৰণে তেওঁৰ এটা প্ৰচলিত নাম

হৈছে বাটুল গুটি। আৰু দৰ্শনৰ অধ্যাপক নেওগ চাৰ ওখ আৰু খুব ধীৰে স্থিৰে খোজ কাঢ়ে কাৰণে তেওঁৰ নাম কোম জেলেকুৰা। চতুৰ্থ শ্ৰেণীত থাকোতে 'জোঙাল বলহু' পঢ়িবলৈ পাইছিলো। তেওঁৰ সাজপাৰ খোজ কাটল ঠিক মোৰ দৰে নে নাই নেজানো কিন্তু কলেজৰ প্ৰায় লৰা-ছোৱালীয়ে মোৰ প্ৰকৃত নামটোতকৈ জোঙাল বলহু নামটোৰেহে চিনিছিল।

এই চাম লৰাৰ বহুতকে মই চিনি পাওঁ। মই জানো সিহঁত সকলো চাহ বাগিচাৰ মেনে-জাৰৰ পুতেক নহয় অথবা যোগান বিভাগৰ চাকৰী থকা ক্ষমতাশালী ঘৰৰ লৰা নহয়। ৰূপাই ভদাইৰ পুতেক হঁতেও তেনে অভিনয় কৰে। কি হব কান টানিলে মূৰ ও আহে।

"অভিলাষ সুখৰ বৈৰী নবৌ" "সোনটোৰে বি, এ, পাচ কৰি ভাল চাকৰি কৰি ভাল দৰ্ম্মহাৰে ঘৰ খনক পুষ্ট কৰিব—আপোনাৰ এই অভিলাষ বাদ দিয়ক নবৌ। আপোনাৰ বৰ মইনা অবাধ্য। তাক অভি শাপ দিয়ক!

চাহাৰাৰ উতপ্ত বালিৰ তাপ সহ্য কৰাও সীমা আছে নবৌ।

দুদিনৰ আগৰ ঘটনা। বতৰটো ডাৱৰীয়া আছিল। পুহ মহীয়া ডাৱৰীয়া বতৰটোয়ে জাৰ ভালকৈয়ে নমাইছিল। কলেজলৈ যাম নে নেযাম বহু সময় গুনা গথা কৰি পাচত যাবলৈকে ঠিক কৰিলো। মোৰ বোধে তেনে অৱস্থাত অন্য লৰা কলেজলৈ কেতিয়াও নগলহেতেন কিজানি। কিন্তু মই কলেজ খটি নকৰিছিলো। তাতে সেই দিনা গোস্বামী চাৰৰ ক্লাচ আছিল। তেখেতৰ ক্লাচ মইহে নেলাগে কলেজৰ আটা ইতকৈ দুৰন্ধৰ লৰা কেইটাও তেখেতৰ ক্লাচ খটি নকৰে। আন কিছুমান চাৰে কিন্তু ক্ৰমে ক্ৰমে লৰা বিচাৰি ঘুমুটিয়াই ফুৰিলেও ক্লাচ কৰিবলৈ লৰা নেপায়, কিন্তু তেখেতৰ বেলিকা তেনে নহয়। তেখেতৰ কণ্ঠ মৌ বৰষা। কৈ থাকিলে শুনি থাকিম শুন থাকিম যেন লাগে। সেই কাৰণে ঘৰত লোৱা এড়ী কাপোৰ খনকে উপায় নেপাই গাত মেৰিয়াই লৈ কলেজ পালেগৈ। চৌহদত সোমাইয়েই মই হতভম্ব হৈ গলো। এয়া মই মোৰ চকুৰ আগত কি দেখিছো। সদায় দেখি থকা ছাত্ৰ ছাত্ৰী বোৰকে মই চিনিব নোৱাৰিছিলো। মই সোমোৱাৰ লগে লগে সকলোৰে চকু মোৰ ওপৰত পৰিছিল আৰু ইজনে সিজনলৈ চাই ফিচিঙা ফিচিঙ কৰিছিল।

আপুনি শুনি সুখী হব নবৌ। বৰ্ত্তমান মোৰ কেইবাটাও নামৰ লগতে আৰু এটা নামেৰে মই এতিয়া পৰিচিত। বুৰঞ্জীত সৰুতে পঢ়া 'ভাস্কো-দি-গামা'ৰ কথা আপোনাৰ মনত আছে চাগে।

মই নিৰুপায় নবৌ। জনাবচোন মই কি কৰিলে ভাল হব।

---

# ঃ বন্দী বিহঙ্গমে কান্দে ঃ

শ্ৰীউত্তম কুমাৰ গগৈ
৩য় বাৰ্ষিক কলা

কাপোৰৰ ডাঙৰ বোজাটো হাতেৰে তুলি ললে গুলচীয়ে। ইয়াত মণ্টুদাদা হতৰ গেঞ্জী, চাৰ্টৰ পৰা আৰম্ভ কৰি মুনমুন, বাবুল হঁতৰ হাফ পেণ্ট, ফ্ৰক, জাঙিয়া পৰ্য্যন্ত সোমাই আছে। ইয়াৰে কিছুমান বাছি বাছি চাৰ্ফত ডুবাব লাগিব, কিছুমানত হয়তো ইমান বেয়া চেকা লাগি আছে যাক তাই বহুতো পৰ চেষ্টা কৰি গুচাব লাগিব, আৰু —। ভিতৰৰ পৰা দৌৰি দৌৰি হাতত কাপোৰ দুটামান লৈ ওলাই আহিল ঘৰখনৰ আদৰৰ সৰু ছোৱালী বিনীতা। কাপোৰ কেইটা গুলচীৰ হাতত থকা কাপোৰৰ বোজাটোলৈ লক্ষ্য কৰি দলিয়াই দি কলে বিনীতাই, "এই গুলচী, খুব লাহে লাহে আচাৰিবি। তই সেইদিনা জোৰকৈ আচাৰ আচাৰি মোৰ চাদৰখনৰ এডোখৰ ফালিলি।" একো নকৈ গুলচীয়ে কাপোৰবোৰ লৈ কলৰ পাৰলৈ আগবাঢ়ি গ'ল। বাল্টি এটাত পানী ভৰাই লৈ গুলচীয়ে তাইৰ কামত ব্যস্ত হৈ পৰিল। চাৰ্ফত তিয়াবলগা কাপোৰকেইটা বিছাৰি বেলেগে তাই ৰাখি থলে। তাৰ ভিতৰত বেছিভাগেই মণ্টুদাদাৰ টেৰীলিনৰ চাৰ্ট-পেণ্ট, পাপৰিৰ চাদৰ আৰু ডাঙৰদা'ৰ পাঞ্জাবী পায়-জামা থাকে। গুলচীয়ে মণ্টুদা'ৰ চাৰ্টৰ পকেটত হাত ভৰাই চালে। চিগাৰেটৰ এটা সৰু টুকুৰা আৰু দুটা নয়া পইচা। একো নাই তাৰ বাহিৰে মণ্টুদা'টো সচাই বৰ অমনোযোগী। ধুবলৈ দিয়া কাপোৰৰ মাজত কেতিয়াবা দৰকাৰী কাগজ, টকা আদিও থাকি যায়। কাপোৰ ধুবলৈ অহাৰ বহুতো পৰৰ পিচত মুখত শঙ্কাৰ ভাৱ এটা ফুটাই লৈ মণ্টুদাই কেতিয়াবা দৌৰি আহি কয়হি —"এই গুলচী, মোৰ চাৰ্টৰ পকেতত বৰ দৰকাৰী কাগজ এখন আছিল। পাইছিলি নেকি?" বিনা বাক্যব্যয়ে গুলচীয়ে চাৰ্টৰ মাজত পোৱা কাগজ উলিয়াই দিয়ে। স্বস্তিৰ হাঁহি এটা মাৰি কৃতজ্ঞ দৃষ্টিৰে তাইৰ মুখলৈ চাই মণ্টুদা আঁতৰে।

গুলচীয়ে কাপোৰ বোজা ধুই শেষ কৰি কাপোৰ মেলা বাঁহডালত এফালৰ পৰা মেলি গ'ল—মণ্টুদাৰ চাৰ্ট, গেঞ্জী, বাবুলহঁতৰ জাঙিয়া, চোলা, বিনীতাৰ চাদৰ, শাৰী ইত্যাদি। এই বাৰহে তাই নিজৰ কাম কৰাৰ অৱসৰ পায়। নিজৰ কাম মানে তাইৰে দুই এটা কাপোৰ ধোৱা আৰু কাপোৰ ধুই শেষ কৰাৰ পাছত গাটো ধোৱা। গুলচীয়ে বেলেগে ৰাখি থোৱা নিজৰ কাপোৰ কেইটাৰ ওপৰত চাবোন ঘঁহি গ'ল। তাইৰ কাপোৰৰ ভিতৰত নতুন কাপোৰ নায়েই বুলিব পাৰি। প্ৰায়বোৰ বিনীতাই এৰা শাৰী, চাদৰ, ব্লাউজ, পাপৰিৰ পেটীকোট

ইত্যাদি। পূজাই পৰবেহে তাই নতুন কাপোৰ কানি অনাৰ লগতে ডাঙৰদা'ই তাই-লৈকো দুই এটা কাপোৰ আনে। সেইকাৰণে ডাঙৰদা'ক তাই বৰ ভাল পায়। মানুহটো মুখত গম্ভীৰ যদিও অন্তৰখন বৰ মৰমীয়াল যেন লাগে গুলচীৰ। ডাঙৰদা' লৈ চাই থাঁকোতে তাইৰ কেতিয়াবা চল্লিচ মাইল আঁতৰৰ গাৱঁত থকা ককায়েক-টোলৈ মনত পৰি যায়। সঁচাকৈ, সৰুতে জানো ককায়েকটোৱে তাইক কম মৰম কৰিছিল। বিহুৰে সংক্ৰান্তিয়ে চোলা কাপোৰ আনি দিয়াৰ ওপৰিও প্ৰায়েইচোন তাইলৈ ফিটা, কিলিপ আদি লৈ আহিছিল। বিয়া-কৰাৰ পাছতহে সি তাইক মৰম কৰিবলৈ পাহৰি গ'ল। এইবোৰ চব বৌজনীৰ পৰাই হ'ল— গুলচীয়ে ভাবে। বৌয়েকেতো তাইক কম কষ্ট নিদিলে। ... ...

কাপোৰ কেইটা ধুই তাই ইবোৰ কাপোৰৰ পৰা আঁতৰত তাইৰ নিজৰ কাপোৰ কেইটা মেলি দিয়ে। তাৰ পাছত গা-ধুবলৈ বাথৰুমত সোমায়। এই সময়ত আৰু গা-ধুবলৈ কোনো বাকী নাথাকে। মণ্টুদা'ইহে কেতিয়াবা ৰাতি-পুৱা কলেজলৈ যোৱাৰ আগত গা-ধুই যাবলৈ সময় নেপালে আহি ধোৱেহি। আইতাই যে পোহৰ হোৱাৰ আগতেই গা ধোৱে। আইতাক গাধোৱা তাই আজিলৈকে দেখাই নাই। সেইসময়ত ঘৰৰ আটাইবোৰ বিছনাতে। আইতাই গা-ধুই গোঁসাইঘৰত চাকি জ্বলাই প্ৰনাম কৰি ওলাই আহি তাইক চিঞৰে — "গুলচী, উঠিলিণে নাই! কি ছোৱালী অ' এইজনী। ইমান পৰলৈকে বিছনাতে ধেৰমেৰ খাই পৰি আছে।" গুলচীয়ে খপজপকৈ উঠি বিছনাত বহে। চকুৰ ফেচকুৰিবোৰ হাতেৰে গুচাই গুচাই তাই ভাবে বিনীতা, পাপৰিহঁত বেলি ওলাই এডোখৰ পোৱালৈকে বিছনাতে পৰিথাকিব। তথাপিও গালি ···· ····

গুলচীয়ে গা ধোৱে। বাথৰুমৰ ঠেক চাৰিবেৰৰ আবদ্ধ কোঠাটোত গা-ধুই তাইৰ ভাল নেলাগে। কিবা উশাহ নোপোৱাৰ দৰে লাগে তাইৰ। এতিয়ালৈহে তাই একো অনুভৱ কৰিব নোৱাৰা হৈছে। প্ৰথম, প্ৰথম একমিনিট সোমাই থাকিও ভয় লাগিছিল। এতিয়াও তাই গা ধোওঁতে বেছিপৰ নকৰে। দহমিনিটতে হৈ যায়। অথচ, পাপৰি, বিণীতাৰ গাধোওঁতে এঘন্টামান লাগে। গা ধোৱাৰ লগে লগে আকৌ গুণগুণকৈ গান।

গুলচীৰ গাধোৱা শেষ হয়। দুৱাৰখনৰ হুকটো খুলি তিতা কাপোৰবোৰ হাতত লৈ তাই বাথৰুমৰ পৰা ওলাই আহে। ইফালে আইতাই পাকঘৰৰ বাৰান্দাৰ পৰা চিঞৰিলে- "গুলচী, হ'লনে নাই তোৰ! মোৰ ভাত চেচা হ'ল এইফালে। "গুলচীয়ে তিতা কাপোৰ বোৰ চকোৱাখনত মেলি কলে 'হ'ল আইতা গৈছো।" আইতা ইতিমধ্যে চোতাললৈ ওলাই আহিছিল কুকুৰ দুটাক এৰেহা ভাত দিবলৈ। হঠাতে চিঞৰিলে, "এই গুলিচী, বেয়া দেখা নাইনে তোৰ ওচৰতে কাউৰী কেইটাই অমিতা খাইছে। খেদা খেদা, কি কাণী অ' এইজণী!" গুলচীয়ে ওচৰতে থকা শিলগুটি এটা কাউৰী-কেইটাক উদ্দেশ্য কৰি দলিয়াই দি কলে, "যা, যা।" কাউৰীকেইটা অকনমান আঁতৰি গৈ আকৌ আহি বহিলহি। দ্বিতীয়বাৰ, খেদাবৰ চেষ্টা নকৰি গুলচী কলৰ পাৰৰ পৰা আঁতৰি আহিল।

ভাত খাই উঠি বাচন-বৰ্ত্তনবোৰ চাফা কৰি ভিতৰত সজাই থৈ গুলচীয়ে হাতদুখন শাৰী-খনৰ আচলত মচি মচি নিজৰ কোঠাটোত সোমালহি। পিচবেলাৰ এই অকনমান সময় তাই জিৰণি পায়। এই সময়তে আইতাইও বিছনাত অকণমান কাতি হয়, বাবুল, মুনমুন-হঁতৰ, লগত দীপা বৌও শোৱে। পাপৰি, বিনীতাতো স্কুল-কলেজতে। ডাঙৰদা'ও কামত। গুল্চীৰ এই কাম নথকা সময়খিনি কিবা আমনি আমনি লাগে। কামত ব্যস্ত হৈ থকা সময়খিনিত কিবা এটা মাদকতা আছে যদিও এনেকৈ কাম নকৰি বহি থাকি তাইৰ বৰ বেয়া লাগে। এইখিনি সময়ত তাইৰ প্ৰায়ে মনত পৰে তাইৰ এৰি অহা গাওঁখনলৈ। কিমানদিন যে হ'ল তাইৰ সেইখন গাওঁ নেদেখা। যোৱা বছৰ নহয়, তাৰ আগৰ বছৰত তাই ককায়েকৰ লগত গাওঁৰ ঘৰলৈ গৈছিল। বহুত দিনৰ মূৰত যাবলৈ পাই তাইৰ মনটো আনন্দত নাচি উঠিছিল। নবৌয়েকলৈ তাই লৈ গৈছিল তাইৰ ভাগৰে আধাপুৰণি চাদৰ এখন, বিনীতাৰ পুৰণি চিল্কৰ ব্লাউজ এটা আৰু ভতিজাকহঁতলৈ কিবা কিবি মিঠাই। ঘৰলৈ যোৱাৰ কাৰণে আইতাই তাইৰ হাতত টকা এটা গুজি দি কৈছিল, "ঘৰলৈ কিবাকিবি কিনি লৈ যাবি"। আইতাৰ প্ৰতি কৃতজ্ঞতাত তাইৰ দুচকু ভৰি আহিছিল। আনন্দতে চকু দুটা সজল হৈ আহিছিল তাইৰ। ঘৰতো বৌয়েকে তাইক খুব মৰম কৰি দেখুৱাই-ছিল বৌয়েকৰ এই আচৰণত গুলচী অকনমান আচৰিত হৈছিল যদিও ভাবি লৈছিল বহুত দিনৰ মূৰত যোৱা কাৰনেই কিজানি বৌয়েকৰ এই মৰমৰ অভিনয়। তাই লগত পখীলা, সোনমাইহঁত তাই অহা গম পাই তাইক চাবলৈ আহিছিল। কৈছিল — "ইচ্, তই যে তালৈ যোৱাৰ পৰা বৰ ধূনীয়াজনী হলি দেই। তাত বৰ আৰাম নহয় ?" গুলচীয়ে ম্লান হাঁহিৰে মূৰ দুপিয়াইছিল। তাই পিন্ধা কাপোৰযোৰ লিৰিকি বিদাৰি চাই সিহঁত আটায়ে তাইৰ ভাগ্যৰ উচ্চ প্ৰশংসা কৰিছিল।

ঘৰৰ পৰা আহিবৰ দিনাখন তাই খুটা এটাত খামুচি ধৰি উচুপি উচুপি কান্দিছিল। বৌয়েকে মৰমেৰে তাইৰ পিঠিত হাত বুলাই দি কৈছিল, "যাগৈ, নাকান্দিবি। তাত ভালকৈ খাইছ, পিন্ধিছ আছ কিহৰ চিন্তা।" গুলচীয়ে মনে মনে ভাবিছিল বৌয়েকেতো নেজানে যে তাত তাই সকলো পালেও মনৰ সুখ নাপায়। সজাত থকা পখীৰ দৰেই তাইৰ অবস্থা। অন্যৰ দৰে মুক্ত মন এটাতো তাইৰ নাই।

কথাবোৰ ভাবি ভাবি গুলচীৰ চকুৰ কোনদুটা পানীৰে ভৰি পৰিল। শাৰীখনৰ আচলৰ কোন এটাৰে তাই চকু দুটা মোহাৰি পেলালে। ঘড়ীটোৱে টং টং কৈ দুটা বজাৰ জাননী দিলে। গুলচী বিচনাতে উঠি বহিল। খুলি থোৱা খোপাটো টানকৈ বান্ধি পেলালে তাই। তাৰ পাচত অসংযত কাপোৰ বোৰ সংযত কৰি তাই বিছনাৰ পৰা নামি আহিল। ইতিমধ্যে মণ্টুদাই কম 'ভলিওম'ত 'বিবিধ ভাৰতীৰ' অনুষ্ঠান শুনিছে।

গুলচী বাহিৰ ওলাই আহিল। দীপাবৌৱে শুই উঠি চুলিকোচা মেলি মূঢ়া এটাত বহি সেইদিনাৰ বাতৰিকাগজ খন একাগ্ৰতাৰে সৈতে পঢ়িছে। আইতাই বাবুলক কোলাত লৈ মৰম কৰি কিবাকিবি কৈছে। গুলচীৰ এইবোৰ দেখি

ভাল লাগে। এইবোৰ ঠাইত শাহুৱেক বোৱা-ৰিয়েকৰ মাজত বৰ মৰম। গাঁৱত ইয়াৰ ওলোটাতো কেৱল দন-হাই কাজিয়াহে লাগি থাকে। গুলচীৰ এতিয়াও মনত পৰে গাঁৱৰ ঘৰৰ ওচৰত থকা শুৱলা পেহীহঁতৰ ঘৰৰ কাজিয়াবোৰ।

কাগজৰ পৰা মূৰ তুলি গুলচ.ক দেখি দীপাবৌয়ে কলে, "চাওঁ, আহচোন গুলচী, মূৰটো বৰ খজুৱাইছে, অকনমান চাই দেহি।" গুলচীয়ে দীপাবৌৰ পাছফালে বহি মূৰৰ ওকণি চোৱাত লাগিল। হঠাতে কিবা এটা মনত পৰাৰ দৰে দীপাবৌয়ে আইতাক চিঞৰিলে, অ' আইতা, গুলচীক কথাটো কোৱাই নাই নহয়। গুলচী অলপ সময় থমকি ৰ'ল। কেনেকুৱা কথানো হব পাৰে এইটো। আইতাই অকনমান হাঁহি কলে, "জানো, নাই কোৱা হবলাতো।" দীপাবৌয়ে মুখত সন্তুষ্টিৰ হাঁহি এটা ফুটাই কলে, "বুজিছ গুলচী, কালিলৈ পাপৰিক চাবলৈ মানুহ আহিব নহয়। লৰাই ছোৱালী দেখিছেই, কালি ঘৰৰ মানুহহে অহাৰ কথা। লৰাই ইয়াতে কাম কৰে ছাপ্লাই ইন্সপেক্টৰ।" গুলচীৰ হাতখন দীপাবৌৰ মুৰৰ ওপৰতে স্তব্ধহৈ ৰৈ গ'ল। পাপৰিক চাবলৈ মানুহ আহিব মানে পাপৰিৰ বিয়া হব। কোনোবা এখন অচিন ঘৰত পাপৰিয়ে বোৱাৰি হিচাবে স্থিতি লবগৈ। এইবোৰ ··· এইবোৰ কথা শুনাৰ পাছতে তাইৰ মনটো কি হৈ গৈছে! অন্তৰখন অজানিতে তাইৰ কঁপি উঠিছে কিয়। ঘৰৰ অন্য সকলোৰে লগতে তাইও কথাটো শুনাৰ পাছত আনন্দ কৰিব পৰা নাই কিয়? ··· ··· ···

গুলচী বহাৰ পৰা উঠি থিয় হ'ল। দীপাবৌয়ে পিছফালে ঘূৰি চাই কলে, "কি হ'ল আৰু নাচাৰ নেকি? অ' তই দেখোন পাপৰিৰ বিয়াৰ বিষয়ে একোকে নকলি।" গুলচীয়ে কোনোমতে হাঁহি কলে, "খুব ভাল হব। বিয়াখন সোনকালে হলেই ভাল হয়" কথাষাৰ কৈয়েই গুলচী নিজৰ কোঠালৈ গুচি আহিল। অৱশ অৱশ লগা দেহটোৰে তাই পুণৰ বিচনাখনত বাগৰি দিলে। বহুত খেলিমেলি চিন্তাৰে তাইৰ মনটো ভৰি পৰিল। পাপৰিৰ বিয়া হব! ইমান সেনকালে! কিন্তু সোনকালতো হৈ থকা নাই। পাখী লগা কাড়ৰ দৰেই যে বছৰবোৰ পাৰ হৈ যাব ধৰিছে। ব্যস্ততাৰ মাজত থাকি তাই দিনবোৰ কেতিয়া পাৰ হৈ গৈছে কবই পৰা নাই।

এইবাৰ গুলচীৰ বুকুৰ ধপধপনিটো বেছি দ্রুত হৈ আহিল। ইমানদিনে তাই এই কুৰি-বাইছ বছৰীয়া দেহাৰ কোনে কোনে যৌৱন ভৰি পৰা শৰীৰটোক সম্পূৰ্ণ আওকাণ কৰিয়েই আছিল। কিন্তু আজি পাপৰিৰ বিয়াৰ খবৰটোৱে তাইক নিজৰ ফাললৈ ঘূৰি চাবলৈ অবকাশ দিলে। গুলচীয়ে অনুভৱ কৰিলে কব নোৱাৰাকৈয়ে তাইৰ ভূল হৈ গ'ল। দীৰ্ঘদিন কেৱল আনৰ কাৰনেই ভাবি ভাবি অতিবাহিত কৰা তাইৰ বহুতো ভূল হৈ গ'ল। এইবাৰ গুলচীৰ দৃষ্টিৰ সমুখত ভাঁহি উঠিল তাইৰ লগৰ পখীলা, সোনমাই, জানকিহঁতৰ মুখকেইখন। সিহঁতে যেন তাইলৈ করুণ দৃষ্টিৰে চাই চাই কৈছে— "এনেকৈ থাকি তই নিজৰ জীৱনটো কিয় নষ্ট কৰি পেলাব বিচাৰিছ গুলচী! তই এবাৰ ভাবি চোৱা নাই কিয়?" গুলচীয়ে এইবাৰ ভাবিলে সেই তাইৰ লগৰ পখীলাহঁত আৰু ইমানদিনে জীয়াৰী হৈ থকা না। সিহঁত

কিজানি ইমানদিনে কোনোবা অচিন ঘৰ এখনত শিৰত সেন্দুৰ, মুৰত ওৰণী লৈ এখন সুখী সংসাৰ গঢ়ি তুলিছে।

গুলচীৰ চকুৰ পানীয়ে আৰু এইবাৰ বাধা নেমানিলে। গাৰুত মুৰ গুজি তাই উচুপি উঠিল। চকুৰ পানীৰে গাটো তিতি গ'ল তথাপি তাইৰ উচুপনিৰ শেষ নাই. কাৰোবাৰ মাতত মূৰ তুলি চাই তাই দেখিলে সেয়া আইতা। একেথিৰে তাইলৈ চাই আছে। লাহে লাহে কাষ চাপি আহি তাইৰ পিঠিত মৰমেৰে হাতবুলাই দি আইতাই কলে, "তোৰ কি হৈছে গুলচী ? তই কান্দিছ কিয় ?" আইতাৰ মৰমৰ মাতত তাইৰ উচুপনি বাঢ়ি গ'ল। মাতটো কোনোমতে সংযত কৰি গুলচীয়ে কলে, "মই ইয়াত নাথাকো অইতা। মই যামগৈ।" আইতা এইবাৰ অলপ আচৰিত হ'ল। কলে, "কলৈ যাবিগৈ তই গুলচী ?" গুলচীয়ে চকুৰ পানীবোৰ মুচি মুচি লাহেকৈ কলে, "ঘৰলৈ ; ইয়াত থাকি মই মোৰ জীৱনটো নষ্ট কৰিব নোখোঁজো।" আইতাই যেন কিবা বুজিলে। বহুত পৰৰ পিছত আইতাই ক'লে, "যাবিগৈ গুলচী। এৰা তই যাবই লাগিব। তোক ইমানদিনে ৰাখি থোৱা মোৰ ভূলেই হৈছিল। পাছে তাই গলে মোৰহে বৰ দিগদাৰ হব।" গুলচীয়ে একো উত্তৰ নিদিলে।

---

"স্বদেশ আৰু স্বজাতিৰ উন্নতি আৰু মঙ্গলময় মন্দিৰৰ
সিংহদুৱাৰ হৈছে মাতৃভাষা।" —বেজবৰুৱা

# সঁাথৰ

শ্ৰীদিলীপ কুমাৰ খাউণ্ড
২য় বাৰ্ষিক ৰিজ্ঞান

চুবুৰিটোত এক হৈ-চৈৰ সৃষ্টি হল। মানুহৰ মূখে মূখে কথাটো লৈ আলোচনা চলিল। নানাজনে নানা মত দিলে। যোৱা নিশা চুবুৰীটোত ঘটনা এটা ঘটিল—নিচেই সাধাৰণ ঘটনা। মোৰ বাবে। আনৰ বাবে নহয়।

মই পুলিচ বিভাগত চাকৰি কৰো। উচ্চ পদস্থ বিষয়া। চাকৰি কৰা আজি প্ৰায় কুৰি বছৰ হল। এই কালছোৱাত যথেষ্ট সুনাম আৰ্জ্জন কৰিছো বুলি কলেও ভুল কৰা নহব। বিখ্যাত ডকাইত চৰ্দাৰ গুমনাম সিঙক এৰেষ্ট কৰাৰ ঘটনাটো কোনে নেজানে! খুনী, পলাতক জগদীশ চিৰিঙক পাহাৰৰ নামনিত থকা জুপুৰিটোত আটক কৰাৰ কৌশলৰ একমাত্ৰ কাৰণ ময়ে। চাকৰি জীৱনৰ এনেকুৱা ঘটনাৰ উদাহৰণ আৰু বহুতো আছে। অন্য কথাত কবলৈ গলে পুলিচ বিভাগত মই এজন সুযোগ্য বিষয়া

নিজৰ কথা কবলৈ গৈ আচল কথা কবলৈ পাহৰিছোৱেই। যোৱা নিশাৰ ঘটনাটো, মানে চুবুৰিটোৰ এমুৰে থকা হৰিধন বৰুৱাই আত্মহত্যা কৰিলে। ঠিক আত্মহত্যা নহয়। মুঠতে বৰুৱাৰ মৃত্যু হৈছে। তাকে লৈ ইমানবোৰ আলোচনা-বিলোচনা। কিন্তু মোৰ কাৰণে এনেকুৱা ঘটনাৰ কোনো বিশেষত্ব নাই। কিয়নো মই পুলিচ বিষয়া। জীৱনত এনে কত ঘটনাৰ বিষয়ে শুনিলো, তদন্ত কৰিলো তাৰ আদি অন্ত নাই। গতিকে প্ৰতিটো খোজতে কিবা দুঘৰ্টনা ঘটিব এনে ভাৱেৰে আমি সদায় সাজু।

এইমাত্ৰ হৰিধন বৰুৱাৰ মৃত্যুৰ তদন্ত, কৰি আহি ঘৰ পাইছোহি। ইতিমধ্যে মৰনোওৰ পৰীক্ষাৰ খবৰো পাইছো। অলপ সময়ৰ পিচতে অফিচলৈ ৰিপৰ্ট লিখিব লাগিব— বৰুৱাৰ মৃত্যু সম্পৰ্কে। এটা মানুহৰ মৃত্যু হল; এটা আত্মাই মুক্তি পালে। তাকে লৈ আক কিয় তদন্ত, ৰিপৰ্ট আদি লাগে! তথাপিতো কৰিব লাগিব। সমাজে বান্ধি দিয়া নিয়মৰ হেৰ ফেৰ হোৱাটো কোনেও নিবিচাৰে।

হৰিধন বৰুৱাৰ মৃত্যু মোৰ কাৰণে এতিয়াও সাথৰ হৈ আছে। মৃত্যু হল ঠিক কথা। কিন্তু সেই মৃত্যু কেনেধৰণৰ! অভিসন্ধিমূলক, আকস্মিক, নিজইচ্ছাজনিত নে ভৌতিক? সেয়ে মই বিবুদ্ধিত পৰিছো। পুলিচ বিষয়া হিচাবে সকলো কথা ফহিয়াই চোৱাটো মোৰ কৰ্ত্তব্যৰ ভিতৰুৱা।

ৰিপৰ্টত মাত্ৰ এক বিশেষ ধৰণৰ মৃত্যুক হে স্বীকৃতি দিয়াটো সম্ভৱ। কিন্তু তদন্ত কৰি যি দেখিলো, শুনিলো, আৰু ঘটনাটো সম্পৰ্কে সমল গোটালো তাৰ পৰা মই কোনো স্থিৰ সিদ্ধান্তলৈ আহিব পৰা নাই। গতিকে গোটেইখিনি কথা শুনামতে ৰিপৰ্টত লিখি পঠাম।

মই, মহমদ জামিলখানে, চুপাৰিনটেণ্ডেণ্ট অব পুলিচ, আজি উনৈশ যাঠি চনৰ যোল্ল জানুৱাৰী শুক্ৰবাৰৰ দিনা ধৰমপুৰ গাৱঁৰ মেৰজান চুকৰ শ্ৰী হৰিধন বৰুৱাৰ মৃত্যু সম্পৰ্কে তদন্ত কৰি বৰুৱাৰ পত্নী আৰু ওচৰ চুবুৰীয়াৰ পৰা যি শুনিলো তাক মোৰ নিজৰ কথাত আজিৰ ৰিপৰ্টত হুবহু তুলি দিলো। মানুহজনৰ মৃত্যু সম্পৰ্কে মই কোনো নিজামন্তব্য দিব নোখোজো। কিয়নো সেই মৃত্যু কেনে ধৰণে সংঘটিত হবলৈ পালে তাক মোৰ চাকৰিজীবনৰ একুৰি বছৰীয়া অভিজ্ঞতাও ঠাৱৰাবলৈ অক্ষম। এইখিনিতে এইটো কথা উল্লেখ কৰা ভাল হব যে ডাক্টৰী ৰিপৰ্টত মতে বৰাৰ স্বাভাৱিক মৃত্যুও নহয় আত্মহত্যাও নহয়। ডাক্টৰী ৰিপৰ্টত আৰু কোৱা হৈছে যে কোনো বেমাৰ আজাৰ নথকাকৈ, মানুহজন অৱশ্যে অলপ দুৰ্ব্বল, ৩৬ বছৰীয়া এজন মানুহৰ কেতিয়াও স্বাভাৱিক মৃত্যু হব নোৱাৰে। মৃত্যুৰ আগতে শ্ৰী বৰুৱাই বৰ ভয় খাইছিল বুলি লিখা কথাষাৰৰ তলত ডাক্তৰ শ্ৰীকৰুণা কান্ত শইকীয়াই আণ্ডাৰ লাইন কৰি দিছে। মেডিকেল ৰিপৰ্টখনো এই ৰিপৰ্টৰ লগত পিনেৰে গাঠি দিয়া হল।

প্ৰাইমেৰী স্কুলৰ শিক্ষক শ্ৰীহৰিধন বৰুৱা সেই চুবুৰিটোত বাস কৰা প্ৰায় দহ বছৰ হল। চুবুৰিৰ প্ৰায় এমুৰে বৰুৱাৰ ঘৰ। নৈ খনৰ সিপাৰে অলপীয়া হাবি। কিন্তু তাৰ পাচতেই বহল ধাননি পথাৰ। বৰুৱাৰ ঘৰ পোৱাৰ এক ফাৰ্লংমান আগত গাওবুঢ়া মহীচন্দ্ৰ মেধীৰ ঘৰ।

লৰা-ছোৱালী আৰু পত্নীৰে সৈতে বৰুৱাৰ পৰিয়ালৰ মুঠ সংখ্যা ছয়। ওচৰচুবুৰীয়াৰ পৰা শুনামতে সকলোৰে লগত তেওঁৰ ভাল সম্বন্ধই আছিল যদিও গাৱঁৰে মহাজন ৰতনমল কেঞাৰ লগতহে ভাল নাছিল। কিবা এটা ঘৰুৱা কাৰণত টকা ধাৰে লৈ সময়মতে ঘুৰাই দিব নোৱাৰাত ৰতনমলে বাটত কেইবা দিনো অপমান কৰোৱাই হল কাজিয়াৰ সূত্ৰপাত।

গাওঁৰে প্ৰাইমাৰী স্কুলত শিক্ষকতা কৰে। গাৱঁত বাস কৰা দিন ধৰি সেইখন স্কুলতে শিক্ষকতা কৰি আহিছে। এই হেন নাটনিৰ দিনটো এশ টকা দৰমহাৰে কোনোমতে ঘৰখন চলাইছিল। তাৰোপৰি দুই এটা টিউচন যোগাৰ কৰি লৈছিল। তথাপিতো ছটা মানুহে দুবেলা দুসাজ পুৰাকৈ খাবলৈ সমৰ্থ হোৱা নাছিল। লৰা-ছোৱালী ক্ৰমে ডাঙৰ হৈ অহাৰ লগে লগে বাঢ়ি আহিছিল হৰিধন বৰুৱাৰ চিন্তা। সংসাৰৰ বোজা বহন কৰা দিনে দিনে বেচি কষ্টকৰ হৈ গৈছিল।

জগত পৰিবৰ্ত্তনশীল। পৰিবৰ্ত্তনশীল জগতত কোনেও স্থিৰ হৈ থাকিব নোৱাৰে! পৰিবৰ্ত্তন নিবিচাৰিলেও নিজে নিজে আহিবই! সুখৰ দিনৰ বাবে যিমান আশা কৰিব লাগে দুখৰ দিনৰ বাবে হয়তো নেলাগে। সেয়ে বৰুৱাৰ জীবনলৈ আহিল দুখৰ দিন— যাক হয়তো তেওঁ কোনো মুহূৰ্ত্ততো আশা কৰা নাছিল।

মৃত্যুৰ প্ৰায় ছমাহ মান আগত এদিন স্কুল পৰিদৰ্শক এজন আহি স্কুল পৰিদৰ্শন কৰি বৰুৱাক নগৰৰ শিক্ষাবৰ্ডৰ অফিচলৈ মাতি থৈ গল। নিৰ্দিষ্ট সময়ত তেওঁ গৈ বৰ্ডৰ অফিচত হাজিৰ হল। কিন্তু বৰ্ডৰ অধীক্ষকে তেওঁৰ বিৰুদ্ধে বহুতো গোচৰ অহা বুলি চাকৰিৰ পৰা অব্যাহতি লবলৈ কলে। অব্যাহতি নিজ ইচ্ছাত নহলে ফল বিষময় হব বুলিও ভীতি প্ৰদৰ্শন কৰিলে। উপায়হীন হৈ তেওঁ অধীক্ষকৰ কথাত সম্মতি জনালে। বৰুৱাৰ বিপক্ষে এই গোচৰ অভিসন্ধিমূলক আছিল বুলি মই গাওঁবুঢ়া মহীচন্দ্ৰ শইকীয়াৰ পৰা জানিব পাৰিছো। তেওঁৰ পৰা আৰু এটা কথা গম পোৱা গৈছে যে শ্ৰীবৰুৱা কমিউনিষ্ট পাৰ্টিৰ সভ্য। পাৰ্টিৰ মানুহ সততে তেওঁৰ ঘৰলৈ আহ যাহ কৰিছিল। সৰু সুৰা মেল-মিটিংও বহিছিল। গাওঁৰ দুখীয়া শ্ৰেণী ৰাইজ সম্পূৰ্ণ মহাজনৰ কৰলত। এই শ্ৰেণী ৰাইজৰ উদ্ধাৰৰ বাবে বৰুৱাৰ পাৰ্টিৰ মানুহে গাঁৱে গাঁৱে সভা পাতি গাওবাসীক এনেবোৰ দুৰ্নীতিৰ বিপক্ষে উঠিবলৈ উচটাইছিল। মহাজনৰ বিৰুদ্ধে কাগজে পত্ৰই বহুত লিখা লিখি কৰিছিল।

এনেবোৰ কাৰণতে মহাজন আৰু বৰুৱাৰ মাজৰ মনোমালিন্য ক্ৰমে বৃদ্ধি পাইছিল। হৰিধনক অভিসন্ধি কৰি চাকৰিৰ পৰা অব্যাহৃতি দিওৱাৰ গুৰিতে হেনো মহাজন ৰতনমলৰ কূট কৌশল —এইয়া মহীচন্দ্ৰ শইকীয়াৰ কথা।

চাকৰি যোৱাৰ পাচতো পূৰ্ণ উদ্যোমেৰে দুমাহমান পাৰ্টিৰ কামত লাগি থাকিল। ইফালেদি শিক্ষা বিভাগৰ এনে কাৰ্যৰ প্ৰতিবাদ কৰি শিক্ষাবিভাগৰ বৰমুৰীয়াকে আদি কৰি মন্ত্ৰীলৈকে লিখিলে। কিন্তু কোনো লাভ নহল। প্ৰাইমেৰী স্কুলৰ এশটকীয়া দৰমহাৰ শিক্ষকৰ প্ৰতিবাদৰ জানো কিবা মূল্য আছে? দুখীয়া শিক্ষকৰ অৱস্থাই জানো কাৰোবাক কিবা ভাবিবলৈ অবকাশ দিছে। শিক্ষক হল দেশৰ ধৰণী; সুসভ্য, সুৰুচিপূৰ্ণ জাতি গঢ় তুলিব পাৰে। শিক্ষকৰ দ্বাৰাইহে দেশ এখন জাতি এটাৰ মেৰুদণ্ড পোন হব পাৰে। তেওঁলোকৰ সু জীৱন নিৰ্বাহৰ স্বচ্ছলতাইহে জাতি একোটাক মহান কৰি তুলিব পাৰে, ইত্যাদি বক্তৃতাৰ ফুলজাৰি মাৰি 'শিক্ষক দিবসকে' আদি কৰি বছৰত দুই এটা দিবস পালন কৰি চৰকাৰৰ ধনৰ ভঁড়াল টনকীয়াল কৰিলেই শিক্ষকৰ অৱস্থাৰ উন্নতি হব নোৱাৰে। শিক্ষক সকলে পাইছে কি আৰু পাব লাগিছিল কি তাৰ বিচাৰ হব কেতিয়া? —এইয়া মৃত বৰুৱাৰ পত্নীৰ কথা। গিৰিয়েকৰ মৃত্যু হোৱা স্বত্বেও মানুহজনীয়ে স্থিৰতা নেহেৰুৱাটো মোৰ বাবে বৰ আশ্চৰ্য্যজনক। তাৰোপৰি মানুহজনীয়ে কোৱা কথাবোৰৰ পৰা অনুমান হয় যে শিক্ষকৰ অৱস্থাৰ কথা নিশ্চয় প্ৰায়ে পাৰ্টিৰ কথাত আলোচনা হৈছিল। মোৰ চাকৰি জীৱনত এনেকুৱা কথা এনে ধাৰাৰ ঘটনাৰ তদন্ত কৰিবলৈ যাওঁতে কেতিয়াও শুনা নাই।

অকণো অস্থিৰতা প্ৰকাশ নকৰাকৈ শ্ৰীমতী হেমলতা বৰুৱাই অৰ্থাৎ মৃতকৰ পত্নীয়ে আৰু কৈছিল— মাষ্টৰ কামটো যোৱাৰে পৰা ঘৰৰ অবস্থা দিনক দিনে বেয়াৰ ফালে ঢাল খাইছিল! শেষলে এসাজ খাই এসাজ লঘোনে থকাটো বৰুৱাৰ পৰিয়ালৰ বাবে সাধাৰণ কথা

হৈ পৰিছিল। বয়বস্তুৰ দাম বৃদ্ধি হৈ আহি ক্ৰয় শক্তিৰ সীমা পাৰ হৈ গৈছিল। গতিকে সাজটোৰ খোৱা মুঠি গোটোৱাটো তেওঁৰ বাবে এভাৰেষ্ট শৃঙ্গ বগাবলৈ যোৱাৰ নিচিনাই হৈছিল। ইতিমধ্যে পাৰ্টিৰ মানুহবোৰেও এৰা দিছিল।

মৃত্যুৰ কেইদিনমান আগতে বৰুৱাৰ মানসিক অৱস্থাৰ বোধকৰো অৱনতি ঘটিছিল। কেতিয়াবা দুই চাৰিষাৰ আচৰিত ধৰণৰ কথা কোৱাৰ বাদে অন্য কামৰ পৰা এনে হৈছিল বুলি কব নোৱাৰি। এদিন তেওঁ ঘৈনীয়েকক কৈছিল— "পৃথিবীৰ মানুহবোৰ পাগল হৈ গল বুজিছা। কালিৰ বাতৰি কাকতত পাইছো আমেৰিকাৰ জেমিনী নামৰ উপগ্ৰহটোৱে চন্দ্ৰত মৃদু অৱতৰণ কৰিছে। ইমানবোৰ ৰকেট সাজি যুদ্ধাস্ত্ৰ বনাই টকা খৰছ কৰিছে। সেইবোৰ টকা যদি আমাৰ দৰে দুখীয়া মানুহবোৰক দিয়া হলে কিমান উপকাৰ হলহেতেন। চব পাগল, পাগল বুজিছা, চব পাগল।"

বুধবাৰে ৰাতি। মানে সিদিনা বৰুৱাৰ মৃত্যু হল।

সিদিনাখন তেওঁ ৰাতি আঠমান বজাৰত ঘৰ পাইছিলহি আৰু শুকান ৰুটি এখন খাই শুই পৰিছিল। খাবৰ সময়ত বৰুৱাই কৈছিল ঘৰৰ ওচৰতে অন্ধাৰত মানুহ এটা বৈ থকা যেন দেখিছিল। দুদিন মান আগৰে পৰা তেওঁৰ গাত অলপীয়া জ্বৰ আছিল আৰু মানুহজন হৈ পৰিছিল দুৰ্ব্বল।

শেহ ৰাতি। শৌচ কৰিবলৈ যাওঁ বুলি ঘৈনীয়েকক মাত দি বৰুৱা ওলাই গল। আৰু তাৰ পাচত ঘূৰি নাহিল।

পিচদিনা বহু কষ্টৰ মূৰত নৈৰ ডুবি এটাত শটো পোৱা গল।

*　　　*　　　*

আজি ছমাহৰ মূৰত সেই ঘটনাটোলৈ মনত পৰিছে। প্ৰাইমেৰী স্কুলৰ শিক্ষক, কমিউনিষ্ট পৰ্টিৰ সভ্য, হৰিধন বৰুৱাৰ মৃত্যু হল সচা কথা। কিন্তু সেই মৃত্যু কেনে তাক কোনেও কব নোৱাৰিলে। সেই ৰিপৰ্ট চাগে এতিয়া কোনোবা ফাইলৰ তলত। মোৰ মতে সেই মৃত্যু চাৰিধৰণেৰে সংঘটিত হব পাৰে। প্ৰথমে পৰিয়ালৰ ভৰণপোষণৰ অপৰগতাৰ বাবে আত্মহত্যা; দুই কোনো শত্ৰু পক্ষৰ মানুহে কু-চক্ৰান্ত কৰি পানীত পেলাই হত্যা কৰিব পাৰে (কাৰণ ডাক্তৰৰ মতে আত্মহত্যা নহয়); তৃতীয়তে আকস্মিক ভাবে মৃত্যু ঘটিব পাৰে আৰু চতুৰ্থ কাৰণ হয়তো সেই মৃত্যুৰ অন্তৰালত অশৰীৰিৰ প্ৰভাব (যিহেতু সেই অঞ্চলৰ মানুহে ভুত প্ৰেত বিশ্বাস কৰে আৰু অঞ্চলটোত ভুত থকা বুলি কয়)।

সেয়েহে হৰিধন বৰুৱাৰ মৃত্যু মোৰ বাবে আজিও সাঁথৰ।

সেই সাঁথৰৰ উত্তৰ দিব কোনে?

কোনে??

কোনে???

# "এপাহ ফুলিল, এপাহ সৰিল"

মীৰাৰাণী দিহিঙ্গীয়া।
প্ৰথম বাৰ্ষিক কলা,

আবেলি আবেলি গোন্ধাৰা মিঠাসমীৰণ-জাকে বাগিছাৰ চাৰিওফালৰ সেউজবুলীয়া শিৰীষ আৰু চাহগছৰ কোমল কোমল পাতবোৰ কপাই তুলিছিল। ৰূপাজলি বাগিছাৰ এচিষ্টেণ্ট্ মেনেজাৰ দেৱজিৎ শইকীয়াৰ বিৰাট বঙলাটোৰ চাৰিওকাষৰ প্লি ডিংহ্ৰ টি ফুলৰ থোপাবোৰ বতাহত মৃদু মৃদুকৈ দুলি ছিল। ড্ৰইংৰূমত বাজিথকা ৰেডিঅ টোৰ ভলিউম অলপ বঢ়াইদি বাৰান্দালৈ ওলাই আহিল শেৱালি। ওপৰৰ পৰা তলৰ পাকঘৰত আবেলিৰ চাহৰ যোগাৰ কৰা কাঞ্চাটোক এনেয়ে এবাৰ চিঞৰি মাতিলে শেৱালিয়ে। বনকৰা ছোৱালীজনী ওলাই আহি কিবা লাগিবনেকি সুধিলে। চাহ-মিঠাই সোনকালে বনাবলৈ কৈ বাৰান্দাৰ ইজিচেয়াৰ' এখনত বহি পৰিল শেৱালি। বঙ্গলাৰ সমুখৰ বাস্তাইদি হাঁহিখিকি-ন্দালি কৰি আগবাঢ়ি যোৱা বনুৱা ছোৱালী-কেইজনীয়ে ঘূৰি ঘূৰি তাইলৈ চালে। সিহঁতৰ ফালে চাই এনেয়ে মৰমলগাকৈ হাঁহিদিলে শেৱালিয়ে। বাগিছাৰ চাৰিওকাষে দুলিথকা ফুলপাতবোৰেও যেন হালিজালি আজি তাইৰ আনন্দৰ ভাগলৈছে। সদায় একেধৰনে দেখিথকা ফুলপাতবোৰক আজি তাই অলপ নতুনৰূপত দেখিলে। আজিৰদৰে আনন্দ যেন শেৱালিয়ে কোনোদিনেই উপভোগ কৰিব পৰা নাছিল। কিয়নো, তাইৰ আদৰৰ সোনটোয়ে আজি উভতি আহিছে। হঠাতে বাগিছাৰ কলঘৰত টং, টংকৈ চাৰিটাৰ কোব পৰিল। দেৱজিতহঁত হঠাতে আহিপাব বুলি ভিতৰলৈ উঠিআহি শেৱালি কনমানি ৰূপকটো শুইথকা বিছনাখনৰ ওচৰ পালেগৈ। চিলংফেনৰ বতাহে তাৰ চুটি চুলিবোৰ কপাঁই তুলিছিল। ৰূপকৰ চুলিত আঙুলি বুলাই বুলাই এনেয়ে তাৰ কাষতে শেৱালিয়ে বাগৰদিলে আৰু লগেলগে পাৰহৈ যোৱা অতীতৰ টুকুৰা-টুকুৰ ছবিবোৰ তাইৰ মনচকুৰ আগত এটিএটিকৈ ভাহি উঠিল। ... ...

ফুলগুৰি বাগিছাৰ হেড্ক্লাৰ্ক বিপিন বৰুৱাৰ একমাত্ৰ আদৰৰ ছোৱালী শেৱালি বৰুৱা ককায়েক, মাক-দেউতাক আৰু তাইৰে সিহঁতৰ চাৰিজনীয়া সংসাৰখন অতি সুন্দৰ ভাৱে অতি-বাহিত হৈছিল। মনত আছে শেৱালিৰ, দশমমান শ্ৰেণীত পঢ়ি থাকোতে এদিন স্কুলৰ পঢ়া আহি কিবাএটা কথাত ককায়েকৰ সতে কাজিয়া কৰোতে ককায়েকে জোকাইছিল "ৰবা, আৰু কিছুদিনৰ পাছত মজাটো বাহিৰ হব। লোকৰ ঘৰত গৈ

আৰু লোকৰ লৰাৰ লগত ৰনক্ষেত্ৰৰ আয়োজন নকৰিলে মাছে···।" সেইদিনা তাই ককায়েকৰ কথাৰ অৰ্থ বু পোৱা নাছিল। কিন্তু কেইদিন-মানৰ পাছতেই তাই গম পাইছিলযে দেউতাকৰ বন্ধুৰেক অৱসৰ প্ৰাপ্ত ডাক্তৰ প্ৰফুল্ল শইকীয়াৰ পুতেকৰ সৈতে তাইৰ বিয়াৰ কথাবতৰা চলিছে। সেইদিনা কিবাএক অবুজভয়ত ভিতৰি ভিতৰি কপিছিল শেৱালি। চলবুজি বুজি জোকাইথকা ককায়েকৰ পৰা তাই জানিছিলযে শিলঙৰ এন্থনীকলেজত পঢ়িথকা তৃতীয়বাৰ্ষিক বিজ্ঞানৰ ছাত্ৰ দেৱজিৎ শইকীয়াৰ লগতেই তাইৰ বিয়াৰ কথা মাকহঁতে আলোচনা কৰিছে। তাৰপিছত তাই হাইস্কুলৰ শেষ পৰীক্ষাটো দি ঘৰতথকা সময়ত হঠাতেই এদিন দেৱজিৎ আহি সিহঁতৰ ঘৰ ওলাইছিলহি। জানিছিল শেৱালিয়ে, বন্ধু-ৰেকৰ মতে দেৱজিতে তাইক চাবলৈকে আহিছে। এনেয়ে তাই লাজকুৰীয়া, ককায়েকৰ লগৰ লৰাকোনোবা আহিলে তাই কেতিয়াও নোলায়। কিন্তু সেইদিনা এনেবিপদৰ সন্মুখীন হবলগাহোৱাত তাইভয়তে কান্দিদিছিল। ভনীয়েকৰ অৱস্থাটো বুজি ককায়েকে আনদিনাৰ দৰে চম্‌কি নিদি তাইৰ চকুপানীখিনি মোহাৰিদি কৈছিল তুলুমনি, ইমান দুৰৰ পৰা আহিছে নোলালে অভদ্ৰ বুলি কব নহয়। মই বাৰু ওচৰত নাথাকো। তই মচলা অলপ দি আহগৈ যা। অৰ্থপূৰ্ণ হাঁহিমাৰি ককায়েক তাইৰ ৰুমৰ পৰা ওলাই গৈছিল। চুলিকেইদাল অকনমান ঠিককৰি মুগাৰ মেখেলা আৰু সেউজীয়া পাৰিৰ কপাহী ছাদৰখন গাতদি তাইমচলাৰ থালখনলৈ ওলাই আহিছিল। লজত তাই শৰীৰৰ সমস্ত তেজ আহি গাল দুখনিত থোপা পৰিছিল। সহজ হবৰ চেষ্টাকৰি দেৱজিতে তাই বসতে ইটোসিটো কথা পাতি থাকোতেই ভিতৰৰ পৰা মাকে মতাত সকাহ পাই তাই অকনমান বহক' বুলিকৈ আতৰি আহিছিল আৰু ড্ৰইংৰুমৰ পদাখন ঠেলি ভিতৰলৈ সোমাওতেই এষাৰ কথা তাইৰ কানত পৰিছিল "অপূৰ্ব্ব জীত"। জানিছিল তাই-এয়া দেৱজিতৰ বন্ধুৰেকৰৰ কণ্ঠস্বৰ। যাবৰ পৰত দেৱজিতে কৈছিল কেতিয়াবা চিঠিপত্ৰ দিলে উত্তৰ দিবলৈ আমনি নোপোৱাটো? অ' তোমাক ঘৰত কি বুলমাতে?

"তুলুমনি"—শেৱালিয়ে কৈছিল।

"বেচ বঢ়িয়া নামতো, মই বাৰু তাৰে চুটকুৰা কৰি এটুকুৰা মোৰ কৰিলম, হব?" সকলোকে মাত লগাই সেই দিনা দেৱজিতহঁত গুছিযোৱাৰ পাচত ককায়েকে তাইক চিকুটি চিকুটি হাৰাসাস্তি কৰিছিল।

কিছুদিনৰ পাছত পৰীক্ষাৰ ৰিজাল্ট ওলাল। তাই দ্বিতীয় বিভাগত পাছ কৰিলে। পিছদিনা অভিনন্দন জনাই পঠোৱা দেৱজিতৰ টেলি-গ্ৰামখন পাই দেউতাকহঁতৰ আগত ওলাবলৈ লাজ কৰিছিল। তাৰ পিছত তাই হোষ্টেলত থাকি কলেজত পঢ়াৰ কথা জনাই দেৱজিতলৈ চিঠি দিছিল। ঘৰত থাকোতেই তাই দেৱজিতৰ উত্তৰ পাইছিল। লিখিছিল: "ছাত্ৰনিবাসত থাকি মোৰ ডাঙৰ ভাইটি বিজুৰেও তোমা-লোকৰ কলেজতে পঢ়িব প্ৰাক্‌বিশ্ববিদ্যালয় কলা শাখাত। তুমি চিনাকিহৈ লবা দেই। মই তালৈও লিখিম।"

কলেজলৈ আহি প্ৰথম অৱস্থাত তাই খুউব আমনি পাইছিল। এনেয়েতাই ধুনীয়া, তাতে শান্ত। চলবুজিবুজি ওপৰ ক্লাছৰ সৰা-

ৰোৱে তইক জোকায়। ক্লাছত তাই ঠাণ্ডাহৈ বহি থাকে কাৰণ ক্লাছৰ লৰাবোৰে সদায় " শান্তিৰাণী " বুলি তাইক চিঞৰে। আৰু এটা কথা শেৱালিয়ে খুউব লক্ষ্য কৰিছিল—তাই পিছৰ বেঞ্চত বহিলে তাৰ পিছৰ লৰাৰ বেঞ্চখনত বহি এটা লৰাই সদায়েই তাইক ইটো সিটোকৈ জোকাই থাকে। আৰু আন ছোৱালীৰ দৰে হুৰমুৰকৈ সোমাই যাব নোৱাৰে বাবে তাই সৰহভাগ পিছৰ বেঞ্চতেই বহিব লগা হয়। তাইৰ সৌন্দৰ্য্য বৰ্ণনা কৰি কৰি পিছৰ বেঞ্চৰ পৰা সেই একেটা লৰাই কোৱা-কথাবোৰ শুনি শুনি কেতিয়াবা তাইৰ কান্দি দিবৰ মন যায়। তাই ভাবে, যদি তাইৰ ককায়েক ইয়াত থাকিলেহেতেন, তেতিয়া হলে তাইৰ ইমান অকলশৰীয়া অকলশৰীয়া কেতিয়াও নেলাগিলহেতেঁন, ভিতৰি ভিতৰি শেৱালিৰ অসহ্য খং উঠে এই উৎপতীয়া লৰাটোৰ ওপৰত। কিন্তু ... ...., নাটকীয়ভাবেই এদিন তাইৰ এই অসহ্যতাৰ অন্ত পৰিল। সেই দিনটোৰ কথা শেৱালিৰ স্পষ্ট মনত আছে ... .... ।

আবেলি কলেজ ছুটিৰ পাছত হোষ্টেলৰে লগৰ কেইবাজনীও ছোৱালীৰ সতে তাই কেন্‌টিনত চাহ খাবলৈ গৈছিল আৰু সিহঁতি বহা কেবিনটোলৈ অলপ পাছতে দুজন লৰা সোমাই আহিছিল। হঠাতে চক খাই গৈছিল শেৱালি তাই মনেপ্ৰাণে কামনা নকৰা লৰাটোক দেখি। লৰাটোৱে মালালৈ চাই কৈছিল "মালা, তোৰ বান্ধবীবোৰৰ লগত চিনাকি কৰি নিদিয় নেকি ?

"অ" পাহৰিছো, এয়া মোৰ সমন্ধীয়া ককাইদেউ বিজিত শইকীয়া আৰু এওঁলোক হল ... .... " এজনী এজনীকৈ মালাই লগৰ প্ৰত্যেককে চিনাকি কৰি দিছিল। একেবাৰে চুকত বহি থকা শেৱালিয়ে তাইৰ নামটো কোৱাৰ লগে লগে নমস্কাৰ দিবলৈ হাতদুখন তুলি বিজিতৰ মুখলৈ চাই থৰহৈ ৰৈ গল। এক আশ্চৰ্য্যসূচক ভঙ্গিৰে মুখ মেলি তাইলৈকে চাই আছে বিজিত। ক্ষন্তেক পাছতে প্ৰতি নমস্কাৰদি কলে:" শেৱালি বৰুৱা ? ? বাৰু আনালোক বহক দেই, আনএদিনা কথা পাতিম বাৰু।" হুৰমূৰকৈ ওলাই যোৱা বিজিতৰ ফালে চাই আটাইকেইজনীয়ে ভাবিলে, হঠাতে এওঁৰ কি হল বুলি।

পিছ দিনাৰ পৰা শেৱালিয়ে দেখিছিল বিজিতৰ আকস্মিক পৰিবৰ্ত্তন। দুদিনমান তাই তাক ক্লাছ কৰাই নেদেখিলে। কিন্তু এদিনাখন যেতিয়া অফ পিৰিয়দত তাইক লগ কৰি লাজ লাজকৈ বিজিতে "দাদাই তোমালৈ চিঠি দিছে নেকি" বুলি সুধিলে, সেই মূহুৰ্ত্তত সচাঁকৈয়ে আচৰিতহৈ গৈছিল শেৱালি। কোন দাদা বুলি তাই সোধাত নিজৰ চিনাকিদি বিজিতে কৈছিল যে তেওঁ দেৱজিত শইকীয়াৰে ডাঙৰ ভায়েক আৰু দাদাকে চিঠিত শেৱালিৰ কথা লিখিছিল। সেই দিনা লাজত মৰি যোৱা যেন লাগিছিল শেৱালিৰ।

বিজিতৰ সতে চিনাকি হোৱাৰ পাছৰ দিনবোৰ যে শেৱালিৰ কিমান মধুৰভাৱে অতিবাহিত হৈছিল ভাবিলে আজিও তাইৰ ভাল লাগি যায়। বিজিতক দেখিলেই লাজে তাইক আবৰি ধৰে। ইমান উৎপতীয়া বিজিতটো যেইমান সহজ গাম্ভীৰ্য্যৰে তাইক আপোন কৰি লব, তাই ভাবিবই পৰা নাছিল। লাজ কৰি থাকে কাৰণে শেৱালিক সি অফ্ পিৰিয়দত জোৰ কৰি কলেজ কেন্‌টিনত চাহ খাবলৈ লৈযায়।

শেৱালিয়ে 'আপুনি' বুলি কথা কোৱাত সি এদিন কৈছিল 'তুমিয়েই' যদি মোক সম্মান কৰা মৰম কৰিবনো কোনে? মাহঁতেতো দখিবই নোৱাৰে। তোমাৰ ওপৰতে যি অলপ আশা আছিল, তাকো দেখিছো ... ... ।" তাৰ কথাত গোটেইবোৰে হাঁহিছিল, সেই দিনাৰ পৰা শেৱালিয়ে 'আপুনি' এৰি বিজিত আৰু লগৰ কেইজনক 'তুমি' সম্বোধনেৰে মাতিছিল। ঘৰৰ পৰা পঠোৱা পইচা শেষ হলে বিজিতে শেৱালিৰ পৰা টকা নি ঘুৰাই দিছিল। বিজিতৰ বন্ধু-ৱেকবোৰেও শেৱালিৰ সুন্দৰ ব্যৱহাৰত মুগ্ধহৈ তাইক মৰমসনা ভক্তি কৰিছিল।

কেতিয়াবা বন্ধত ঘৰলৈ আহিলে দেৱজিতে সৰু ভায়েক সুজিত কলেজ হোষ্টেললৈ আহি বিজিত আৰু শেৱালি দুয়োকে ফুৰাবলৈ নিয়ে। বজাৰত সোমাই যেতিয়া দেৱজিৎ আৰু বিজিতে লেটেষ্ট ডিজাইনৰ চাৰ্ট আৰু লং পেণ্টৰ কাপোৰ বিচাৰে, তেতিয়া শেৱালিয়ে পঞ্চম শ্ৰেণীত পঢ়া সুজিতক লৈ আন এফালে সৰু সৰু পুটুলি-খিনি তাৰ মনোবাঞ্ছা পূৰণ কৰাত ব্যস্ত হয়। শেৱালিয়ে নিজেও পুটলা খুউব ভাল পায়। তাইৰ এই শিশু সুলভ ব্যস্ততা দেখি দেৱজিত, বিজিত মুখ টিপিটিপি হাঁহে। সিহঁতক হোষ্টেলত লৈ যেতিয়া দেৱজিতে আৰু সুজিত গুছি যায় তেতিয়া তাইৰ কান্দি দিবৰ মন যায়।

দিনবোৰ আগুৱাই গল।

বিজিত আৰু শেৱালি দুয়ো প্ৰাক্‌বিশ্ব-বিদ্যালয় পৰীক্ষাত ভাল দৰে উত্তীৰ্ণ হল আৰু বি, এছ চি, পাচ, কৰাৰ কিছুদিনৰ পাছতেই দেৱজিৎ এচিষ্টেণ্ট মেনেজাৰ হিচাবে নিযুক্ত হল বিজিত হতঁৰ কলেজত ওচৰৰে ৰূপাজলি চাহ বাগিছাত।

আৰম্ভ হল শেৱালিৰ অন্য এক জীৱন অধ্যায়।

দেৱজিতে চাকৰিত নিযুক্ত হোৱাৰ কিছু-দিনৰ পাছতেই দুয়ো ঘৰৰ সম্মতিক্ৰমে শেৱালিৰ বিয়াও হৈ গল। ইমান সোনকালে বিয়া নহঁও বুলি শেৱালিয়ে খুউব আপত্তি কৰিছিল। তাই জানিছিল, বিয়া হোৱা মানে ফুল, তৰা, গানক লৈ ব্যস্ত থকা মধুৰ দিনবোৰৰে করুণ অৱসান। কিন্তু তাইৰ সেই আপত্তি নৰজিলে। কান্দি কান্দি তাই এদিন মাক দেউতাকক এৰি গুছি আহিল দেৱজিতৰ সংসাৰলৈ। বিয়াৰ পিছত দেৱজিতে তাইক কৈছিল ঃ জানা নবৌ, তুমি যদি এতিয়াই নাহিলাহেতেন, মই কিন্তু তোমাক কলেজত আৰু কেতিয়াও নেম শিলোহেতেন। এতিয়া যে কিম্বান ভাল হব। আমি বাগানৰ পৰাই কলেজলৈ যাম। তুমিও এড্‌মিশ্যান্ লবা দেই — —। কিন্তু ৰন্ধা-বঢাত অনভিজ্ঞ শেৱালিয়ে বাগানলৈ যাবলৈ খুব ভয় কৰিছিল। ভাত কেইটা ৰন্ধা বাহিৰে তাই শাহুৱেকক দিনটো ইটো সিটো কামত সহায় কৰি দিয়ে। আবেলি দেৱজিতৰ মাক-দেউতাক শুলে তাই বিজিত আৰু সুজিতৰ লগত দৌৰাদৌৰি খেলে ৰূমৰ ভিতৰত। তাইক পাই বিজিত, সুজিতৰযে কিস্ফুৰ্টি! ছোৱালী নোহোৱা ঘৰখন শেৱালিৰ উপস্থিতিয়ে বহুপৰিমাণে সজীৱ কৰি তুলিলে। শাহুৱেক আৰু শহুৰেকৰ খুউব বাধ্য কাৰণে তেওঁলোকেও তাইক নিজৰ জীয়েকৰ দৰে অত্যন্ত মৰম কৰিছিল। তাৰ পিছত এদিন দেৱজিতৰ কথামতে অনিচ্ছাস্বত্বেও মাকে তাই

বাগানলৈ যোৱাৰ কথা কলে ঃ মাকৰ কথা শুনি মুৰত হাত বুলাই বুলাই মৰম কৰি মাকে কলে "ভাত বনাবলৈ তাত মানুহ আছে নহয়, আকৰীজনী। তুমি নগলে ডাঙৰ বাপুৰ অসুবিধা হব নহয়। তাৰোপৰি কলেজো খুলিলেই। বিজুৰ লগতে তুমি যোৱাগৈ। মই বাৰু কেতিয়াবা গৈ তোমাক লৈ আনিম দেই...।" অগত্যা যাবলৈ বাধ্য হৈছিল শেৱালি। বাগানৰ পৰা দেৱজিতে গাড়ী পঠাই দিছিল। মাক দেউতাকক সেৱা কৰোতে তাই কন্দা দেখি মাকেও চকুলো টুকিছিল। যাবলৈ ওলাই তাই সুজিতক বিচাৰি দেখিছিল, মাকৰ বিছনাত মুখখন ওফোন্দাই সি বহি আছে। ইফালে টেক্সীৰ হৰ্ণ বজাই বজাই বিজিতে তাইক চিঞৰিছে। তাই গৈ সুজিতৰ ওচৰত বহামাত্রে সি উচুপি উচুপি কান্দি দিলে। তাক সাৱটি ধৰি চুমা খাই টকা বিশটা দি শেৱালিয়ে কলে "মাৰ লগত গৈ তুমি মোক লৈ আনিবা গৈ দেই সোনটো ... ...।" তাৰ পিছত সকলোকে মাত লগাই বিজিতৰ সতে টেক্সীত যাওঁতে জীৱনত প্ৰথমবাৰৰ বাবে অকলশৰীয়া অনুভৱ কৰিলে শেৱালিয়ে।

বাগানলৈ যোৱাৰ পিছ দিনাই বিজিতে কলেজত এড্‌মিশ্যন ললে। ভয়ে ভয়ে শেৱালিয়ে দেৱজিতৰ আগত তাইৰ পঢ়া কথা উলিওৱাত হাঁহি দেৱজিতে কলে দৰাতো পালাই। এতিয়া আৰু কি কৰিবলৈ পঢ়িব লাগিছে ? মিছাতে কষ্টখন কৰিব নেলাগে; ইমানতে থাকক দিয়া....।' সেই দিনা দেৱজিত কামলৈ ওলাই যোৱাৰ পাছত তাই উচুপি উচুপি কান্দিছিল মাক-দেউতাকলৈ তাইৰ খঙ উঠিল। কি প্ৰয়োজন আছিল এই এতিয়াই কাৰাগাৰত বন্দী কৰি যোৱাৰ।

বিজিত কলেজলৈ ওলাই গলে অত্যন্ত অকলশৰীয়া অনুভৱ কৰে শেৱালিয়ে। দেৱজিত-তো কামতেই ব্যস্ত। আবেলি পৰত অকনমান শুবলৈ ললেই তাইৰ এৰি অহা হোষ্টেলখন-লৈ মনত পৰি যায়। তাত থকা হলে এতিয়া ৩-২০ৰ ক্লাছটো কৰি আহি লগৰ আটাইকেইজনীয়ে ১ নং ৰুমত থকা নীলাক্ষীৰ বিছনাত বহি আড্ডা মাৰিলেহেতেন। কিমান জমি থাকে সেই মূহুৰ্ত্তবোৰ। সিহঁতৰ পাৰ্টিৰ ছজনীৰ ভিতৰত তায়েই ঠাণ্ডা। বাকীকেজনীৰ যে কথাই নাই। শেৱালিৰ মনত পৰি যায় প্ৰতিজনীলৈকে। সকলোতকৈ ওস্তাদ আছিল ৰেনু। জুমবান্ধি থকাৰসময়ত তাইৰ আগেদি লৰা সাৰিযাব-নোৱাৰে। সিহঁত আটাইকেইজনী হোষ্টেলৰ চাদৰ ওপৰত উঠিথকা সময়ত যদি তলেদি লৰা পাৰহৈ যায়, তাই দুইহাতৰ আঙুলিৰে জিভাখন লুটিয়াই কিযে সুহুৰি মাৰি দিয়ে, লৰা পলাবলৈ তৎ নেপায়! তাৰপিছতেই নীলাক্ষী। তাই প্ৰতিটো জন্তুৰে মাত মাতিব পাৰিছিল। কেতিয়াবা যদি ৰাতি লাইট অফ্‌হৈ যায়, তাই কলাশাৰী এখন গাত মেৰিয়াই ৰুমত ভুটুকৈ ওলাই যিহে ছাগলীৰ দৰে বেৰাই দিব, ছোৱালীয়ে চিঞৰত গছৰ পাত সৰায় আৰু কেতিয়াবা চকীদাৰে লাঠিলৈ দৌৰি ওচৰ পোৱাৰ আগতেই আচলভূতে নিজৰূপ ধাৰণ কৰি মিচিক মাচাক হাঁহি একেলগে বহি থাকিব। আলনাত শাৰীখন দেখাৰ পাছতহে তাইক সবেই সাতপুৰুষ উদ্ধাৰি গালি পাৰিব। নীলাক্ষীৰ পাছত অৰুনা, তাই দেখিবলৈ ধুনীয়া হলেও আটাইতকেইজনীতকৈ চাপৰ আছিল বাবে সকলোৱেই তাইক মাতিছিল "বাটলুগুটি"

বুলি। কেতিয়াবা গ্ৰুপ ফটো তুলিবলৈ গলে তাই ফটোগ্ৰাফাৰক এনে ধৰণে জোকাব যে সি ফটো উঠাওক চাৰি হাঁহি সামৰিব নোৱাৰি বাৰে বাৰে বাহিৰলৈ ওলাই যায়। তাই থিয় হবও নোখোজে, বহিব নোখোজে। ৰেণুৱে কয় "এই বাউলু, তই কিবা পীৰা-চিৰা জোৰাদি অলপ ওখহৈ থিয় দিয়েই থাক অ ... ।" মালাজনী মহা গাজাৰী। তাইৰ মুখেদি দুনিয়াৰ লেতেৰা কথাবোৰ বাহিৰ হয়। লোকক যেতিয়া হহুঁৱাব,, তেতিয়া তাই এনেদৰে গহীনাই থাকিব যেন কি হৈছে তাই কবই নোৱাৰে। এদিন সিহঁত আটাইকেইজনী হোষ্টেলৰ সন্মুখৰ পুখুৰীৰ খট্‌খটিত বহি আছিল। হঠাতে শেৱালিয়ে পাৰৰ কাষাৰ আধামুখী পদুম এপাহ আনি মালাক দি কলে— "ইমান ধুনীয়া গোন্ধাইছে জান ?" মালাই পদুমটো হাতত লৈ গহীনহৈ "অ, নাকটো কেনি গল কবই নোৱাৰো" বুলি যেনেকৈহে ভৰিয়ে হাতে পদুমটো লগাই ফুৰিছে যেন সচাঁকৈয়ে তাই নাকটো ক'ত আছে কবই নোৱাৰে। এবাৰ হঠাতে ফুলটো খপ্‌কৈ নাকত লগাই "অ" পালো পালো, ধৰিয়েই দিওঁ নহলে আকৌ হেৰাব" বুলি যেনেকৈহে নাকটো টিপা মাৰি ধৰিছে, আটাইকেইজনীয়ে তাইৰ কাণ্ড দেখি হাঁহি হাঁহি বাগৰি পৰিছিল। আৰু ৰবি ? ক্লাছত বহি থাকোতে কেনেবাকৈ যদি লৰাই তাইৰ ফালে চাই থকা দেখে, তাই ওভোতাই ৰ'লাগি তাৰফালে এনে দৰে চাই দেখুৱাব যে সেই লৰাৰ আৰু দ্বিতীয়বাৰ তাইৰফালে চকু তুলি চোৱাৰ সাধ্য নেথাকে। আৰু এই পাচোঁজনী ওস্তাদ লগ লাগি শেৱালিক 'বেঙী' বনাই থৈ দিয়ে। তাই সিহঁতৰ কথাত ৰস পাই হাঁহিলে ইকিজনীয়ে সিএগাৰি দি কব" বাপেৰে আৰু দাঁত উলিয়াবলৈহে শিকালে"। এইবোৰ টুকুৰা টুকুৰ ছবি মনত পেলাই থাকোতে কেতিয়া যে চকুলো বাগৰি আহে, তাই কবই নোৱাৰে।

কেতিয়াবা কলেজৰ পৰা আহিয়েই বিজিতে তাইক কোন প্ৰফেচাৰে লেকচাৰ দিওঁতে কি কাট মাৰিলে. কোন লৰাই ছোৱালীক পিছফালৰ পৰা ক্লাছত ছোৱালীক কি বুলি জোকালে কেন্‌টিনত চাহখাঁওতে কেবিনৰ ফুটাইদি সিহঁতে কোন ছোৱালীৰ শাৰীৰ আচল উলিয়াই কাঠখৰি বান্ধি দিলে ইত্যাদিবোৰ বৰ্ণনা কৰি থাকোতে খঙত শেৱালিয়ে কৈ উঠে—"সোনটি মোৰ আগত এইবোৰ কৈ নেথাকিবা, এইদৰে মোৰ বন্দী কৰি তোমালোকে কি ৰঙ পাইছা নাজানো.... ।" লগে লগে চাহতাহ নোখোৱাকৈ ওলাই গুছি যায় বিজিত। আৰু বহু ৰাতি ঘৰ সোমাই মনেমনে একো নোখোৱাকৈ তললৈ মু কৰি বিছনাত পৰি থাকে। শেৱালিৰ দুখ লাগে মিছাতে তাইৰ আদৰৰ দেৱৰেকক খঙ কৰাৰ বাবে। বিজিতে তাইক কিমান মৰম, ভক্তি কৰে। সেয়েহে অভিমানী বিজিতে তাই অকনমান টান কথা কলেও সহ্য কৰিবলৈ টান পায়। কনমানি কেঁচুৱাৰ দৰে ঠেহঁ পেঁচ পাতি থকা বিজিতৰ অভিমান ভাঙিয়েই নোপোৱা আনন্দ পায় শেৱালিয়ে। বিজিতৰ অভিমান ভাঙি ক্ৰমলৈ গলে হাঁহি দেৱজিতে কয়ঃ

"ক্লাছমেট আছিলা বুলিয়েই আৰু দুয়োটাই **অনবৰতে কাজিয়া কৰি থাকিলেহে হয় ?** দেওৰেক নবৌৱেক দুয়োটা লগলাগি যুদ্ধ আৰম্ভ কৰিবা আৰু সিফালে মই........।" লাজ পাই শেৱালি

আঁতৰি যায়। দেৱজিতে হাঁহে।

কিন্তু—

এই মধুৰ ছন্দত যতি পৰিবলৈ সৰহদিন নেলাগিল। ক্লাবলৈ গলে দেৱজিতে প্ৰায়ে মদ খায় আৰু দৰমহা পাবৰ দিনা দেৱজিত ক্লাবলৈ যায়েই। শেৱালিয়ে মদৰ গোন্ধ সহ্য কৰিব নোৱাৰে যদিও দেৱজিতক একো নকয় কেতিয়াবা বৰকৈ অসহ্য লাগিলে বিজিতৰ ৰূমত আলহীৰ বাবে থকা বিছনাখনত শুই থাকেগৈ। বিজিতে তাইক বুজাই "নবৌ, বাগানত ইমান কষ্টহয় আৰু, অকনমান মদ খাবই। মদাহীৰ দৰেতো ঘৰত আহি উৎপাত কৰা নাই ... ...।" সেয়েহে শেৱালিয়ে বিজিত ক্লাবৰ পৰা অহাৰ দিনা নিৰৱে আলমাৰীৰ পৰা ভাত ঢাকনী উলিয়াই দি নিশ্চলহৈ বিছনাত পৰি থাকে। দেৱজিতেও তাইক একো নকয়। কিন্তু সেইবাৰ দৰমহা পাবৰদিনা কিমান ৰাতি দেৱজিত ঘৰ সোমাইছিলহি শেৱালিয়ে কব নোৱাৰে, বাট চাইচাই তাইৰ আমনি লাগিছিল নবৌৱেক সাৰেথকা গমপাই বিজিতে কৈছিল দৰ্জ্জাখন বন্ধ কৰি তুমি শুই থাকা নবৌ, দাদা আহিলে মই উঠিম।" বিজিতৰ কথামতে শুই পৰিছিল. ৰাতিপুৱা সাৰপাই তাই দেখিছিলযে আগদিনা কামলৈ যোৱা সাজপাৰেৰেই দেৱজিতে শুই আছে। উঠিলৈ বিজিতক তাই কিমান সময়ত আহিল সোধাত কৈছিল: ১১টা মান বজাত আহিছে। ক্লাবত খেলিছিল চাগৈ ...।" তাৰপিছত বিজিত যেতিয়া ক্লাছলৈ ওলাই গল, সেইসময়ত দেৱজিত ঘৰত নাছিল। বাৰমান বজাত কামৰপৰা আহি দেৱজিতে গোটেই ঘৰতে হুলস্থুল লগাই দিলে। দৰমহাপোৱা টকাৰ ১০০ টকা হেৰাইছে। ভয়তে কামকৰা মানুহকেইটা মিফাট মাৰিলে। দেৱজিতৰ তৰ্জ্জন গৰ্জ্জন শুনি শেৱালিয়ে কলে এতিয়া অবাবতে নিচিএৰিবচোন। সোনটি কলেজৰ পৰা আহিব দিয়ক কিজানি কিবা কাৰণত তেৱেঁই নিছে।"

দেৱজিত জ্বলি উঠিল: "সি নাইনিয়া আৰু কোনে নিছে? আন দিনা যে নেথাকে, কালি ইমানসময়লৈকে সি কিয় সাৰে আছিল ...?

বুজাই বৰাই দেৱজিতক শেৱালিয়ে কামলৈ পঠালে। তিনি বজাত কলেজৰ পৰা বিজিত আহিল। শেৱালি তেতিয়া শুই আছিল। সুহুৰিয়াই সুহু ৰয়াই সোমাই গৈ সি শেৱালীৰ গাত ঠাণ্ডা পানী কেইটোপমান পেলাই দিলে। সাৰ পাই উঠি শেৱালিয়ে ভয়ে ভয়ে তাক কথাটো সোধাত সি আচৰিতহৈ গল: "টকাচকাৰ কথাতো মই একো কব নোৱাৰো নবৌ। দাদা আহোঁতে মই পঢ়িয়েই আছিলো। দৰজা খুলি দিয়াৰ পাছত কি কৰিলে নই নাজানো।" তাৰ মুখখন বিবৰ্ণহৈ গল। কিছু সময়ৰ পাছত আহিল দেৱজিত। কিংকৰ্ত্তব্য-বিমূঢ়হৈ শেৱালিয়ে বিজিতৰ কথা কোৱাৰ লগে লগে সি গৰ্জ্জি উঠিল। আৰু এটা সময়ত যেতিয়া হাতৰ লাঠি দালেৰে বিজিতক কেইবা কোবো মাৰিলে, ভয়তে কান্দি শেৱালীয়ে বাধা দিওঁতে তাইৰ গালত গাৰ সমস্ত জোৰেৰে এটা চৰ মাৰি দিলে দেৱজিতে: "তোমাৰ কাৰণে সি নষ্ট পালে, মৰম কৰি কৰি তাক মুৰৰ ওপৰত তুলিলা। এনেকুৱা লৰাৰ মই মুখ চাব নোখোজো।" কৈয়েই দেৱজিত বেত-দাল লৈ জোৰেৰে ৰূমৰ পৰা ওলাই গল। শেৱালিয়ে বিছনাত উবুৰিৱাই হুকুহকাই কান্দিব

ধৰিলে । আৰু নিজৰ ৰুমৰ দৰ্জা বন্ধ কৰি বিজিত সোমাই থাকিল ।

পিছদিনা ৰাতিপুৱা শেৰালিয়ে ৰান্ধনিটোৰে-আনিদিয়া চাহ-জলপানখিনিলৈ খাবলৈ বিজিতৰ ৰুমত সোমাই দেখে যে বিজিত নাই। বিছনাখনত বেড্‌ক'ভাৰও নাই। টেবুলৰ কিতাপবোৰ খেলি-মেলি। লৰালৰিকৈ চাহজলপানখিনি টেবুল-লতথৈ চাৰিওফালে চাই শেৰালিয়ে দেখিলে, ৰূম প্ৰায় শূন্য। দৌৰিগৈ দেৱজিতক কোৱাত দেৱজিতে সোমাইআহি দেখিলে শেৰালিৰ কথা মিছা নহয়। কিতাববোৰ জাৰি-জোকাৰি চাই একোনেপাই দেৱজিতে তুলিখন দাঙিলে। ভাজকৰা নতুন কাগজ এটুকুৰা পাই লৰালৰিকৈ খুলিলে দেৱজিতে। তাৰপিছত টেবুলত কাগজটুকুৰা থৈ ওলাইযোৱা দেৱজিতৰ ফালে চাই কাগজটুকুৰলৈ পঢ়িলে শেৰালিয়ে ;

"পূজনীয়া নবৌ,

নাজানো হঠাতে দাদা মোৰপ্ৰতি ইমান নিষ্ঠুৰ হবলগা হল কিয় ! মোৰ গাত তিলমানো দোষ নাই নবৌ। জানো, আনে বিশ্বাস নকৰিলেও তুমি কৰিবা মোক। দুখ লাগিছে মোৰ কাৰনেই দাদাই তোমাৰ গাত হাত তুলিবলগা হল। হয়তো এইখন ঘৰত মোৰ উপস্থিতিয়ে অশান্তিৰ সৃষ্টি কৰিব। সেয়েহে কৰবালৈ আতঁৰি যোৱা-তোকে ঠিক কৰিলো। নাজানো কলৈ যাম। তুমি মোৰ কাৰনে চিন্তা নকৰিবা, হাতত আগৰে কেইটামান টকা আছিল। আশাকৰো ক্ষমা কৰিবা - ভাগিলো।

তোমাৰ

'সোনটি'

চিঠিখন বুকুত সাৱটি লৈ বিজিতৰ শূন্য বিছনাত পৰি শেৰালিৰ কান্দিবলৈ ধৰিলে। আৰু বিছনাত পৰিথাকোতেই তাই গম পালে গাড়ীলৈ দেৱজিত ওলাই গৈছে। ঘৰখনত অশান্তিৰ ধুমুহাই বিৰাজ কৰিব ধৰিলে। শেৰালিৰ ভৰিৰ তলত পৃথিবীখনহে যেন এৰাই গৈছে। উপায়হীনহৈ তাই লৰালৰিকৈ ঘৰলৈ চিঠিখন লিখি কামকৰা মানুহ এটাক পঠাই দিলে। এটা সময়ত দেৱজিতে আহি নিশব্দে বিছনাত পৰিল। শেৰালিয়ে জানিলে বিজিতৰ একো অনুসন্ধানেই পোৱা নহল। সন্ধ্যাসময়ত কামকৰা মানুহটোৰ সতে মাক আৰু জিতু আহিল। আহিয়েই মাকে ৰণচণ্ডী মূৰ্ত্তি ধৰি দুয়োটাকে উধাই মুধাই বকিব ধৰিলে। এশ টকাকে বৰ দেখিলি। নিছে যদি সি ডেকালৰা নিছে কিবা কামত, তাতে মাৰধৰখন কিয়। ভালে ভালে মোৰলৰা ঘূৰাই আনিদে। নহলে তহঁতৰ এটাৰো মুখ নেচাঁও।"

তিনিদিন মাক তাতে থাকিল। বিজিতৰ একো খবৰেই পোৱা নহল। চতুৰ্থ দিনা মাক কান্দি-কাতি যাবলৈ ওলাল। শেৰালিও ওলাল। মাকে বাধা দিলে ; "বিজু উভতি নহালৈকে কেছো নহয় কোনেও মোক মূখ নেদেখুৱাবি।" কিন্তু তাই নেমানিলে। শেৰালিয়ে জানে, এইখন ঘৰত থাকিলে অশান্তিৰ মাত্ৰা বাঢ়িবহে। গাঁৱত জিতুৰ মুখচায়েই হয়তো সেই বেদনা পাহৰিব পাৰিব। দেৱজিতৰ অনুমতিলৈ বাট নেচাই শাহুৰেকৰ সৈতে তাইয়ো গুছি গল গাঁৱলৈ।

দিন পাৰহৈ যোৱাৰ লগে লগে শেৰালিয়ে অনুভৱ কৰিলে ঘৰখনত অশান্তিৰ মাত্ৰা চৰিছে। শহুৰেকৰ অন্যমনস্কতা আৰু শাহুৰেকৰ কেতকেতনিও তাই নীৰৱে চকুলো টুকাৰ বাহিৰে অন্য উপায় নেদেখিলে। কেতিয়াবা লুকাই চুৰকৈ জিতুৰ লগত ধেমালি কৰে। ক্ষন্তেকতে

বিজুলৈ মনত ুৰ তাই আনমনাহৈ যায়। তাইৰ প্ৰতিকৰা শাহুৱেকৰ আচৰণে বেদনাৰ মাত্ৰা বঢ়াইহে তুলিলে। আকৌ বাগানলৈ উভতি যোৱা কথা কৰিও শেৱালিয়ে শাহুৱেকক কোৱাৰ পৰিস্থিতিটোৰ কথা মনত পেলাই নীৰৱে থাকে, এই বন্ধ পৰিবেশৰ পৰা কেনেবাকৈ ওলাব পাৰিলেই যেনতাই মুক্তি পায়।

হঠাত এদিন বাগানৰ কামকৰা মানুহ এটাৰ হাতত চিঠি এখনদি দেৱজিতে শেৱালিক মাতি গাড়ী পঠালে। অকনমান স্বস্থিৰ নিস্বাসপেলাই তাই চিঠিখন শাহুৱেকৰ হাতত তুলি দিলে।

"কলৈ যাব্ৰ গৈ থাক। মই আগতেই মানা কৰিছিলো ইয়ালৈ আহিবলৈ শাহুৱেকৰ ৰূঢ় কণ্ঠস্বৰত তাইৰ হিয়া ভাগি গলে। কোনোৰকম সকলোকে মাত লগাই তাই গাড়ীত উঠিল। জিতুক কেইদিনমানৰ বাবে নিয়াৰ কথা মনলৈ অহাত চক খাই গৈছিল শেৱালি।

কিন্তু আকস্মিক ঘটনা এটাই আকৌ শেৱালিহঁতৰ বেদনাৰ জ্বলা জুইত ঘিউ ঢালিলে। বাগানলৈ অহাৰ পাছত সকলো পাহৰিবলৈ যত্ন কৰি তাই পুনৰ দেৱজিতৰ ভাৱত নিজক নিমগ্ন কৰিলে। তাই ভাবিছিল দেৱজিতক দোষ দিনো কি সচাহঁওক মিছা হওক এনে অৱস্থাত সকলোৱে খঙ ভাবিক। অৱশ্যে বিষন্ন আবেলিবোৰে মাজেমাজে তাইক বিজুলৈ মনত পেলাই কন্দুৱাইছিল।

সেইদিনা দেওবাৰ কাৰণে দেৱজিত ঘৰতেই আছিল। চকিদাৰটো আহি কলেযে নাথুমহাজনে তেওঁক লগ পাব খুজিছে। দেৱজিতে ওচৰলৈ মাতি পঠোৱাত মহাজনগৈ কলে যে সি কিছুদিনৰ বাৱে নিজৰ দেশলৈ যাব খুজিছে। গতিকে তাক আগৰ বাকীখকা পঞ্চাচ টকা লাগে। ইমানদিন বিজুৰ ঘটনাটোৰ বাবে দি অহা নাছিল। কিন্তু এতিয়া খৰছৰ বাবে প্ৰয়োজনহৈ পৰিছে।

মাত্ৰ পঞ্চাশ টকা? ওহোঁ ভুল কৰিছা। নোটবুকখন চোৱাচোন" —গহীনহৈ দেৱজিতে কলে নোটবুকখন ভালকৈ চাই মহাজনে কলে:

"হয় চাৰ, দেৰশ টকাৰ ভিতৰতে এশ টকাহে আপুনি দিছে। এয়া চক"— এই বুলি সি নোটবুকখন খুলি তাৰিখ আৰু দেৱজিতৰ চহী দেখুৱালে অবাক বিস্ময়ত হতবাক হৈ কোবখোৱা সাপৰ দৰে থৰহৈ ৰল দেৱজিত। মনত পৰিল এইটো তাৰিখৰ পিছদিনাই বিজিত গুছি গৈছিল। আৰু মনত পৰিল সেই দিনা ক্লাবত অত্যাধিক মদ খাই ঘুৰি আহোঁতে শুবলৈ ধৰা নাথুতে মহাজনক উঠাই দৰমহাৰ এশ টকা দি অহা ... ...। কোনোবাই যেন তেওঁৰ চকুৰ আগৰ পৰা ডাঠ মকৰাজাল এখনহে আতৰাই দিলে। শেৱালিয়ে আকৌ এবাৰ কান্দিল হেপাহঁ পলুৱাই ... ...।

তাৰ পিছত—

শেৱালিৰ কোলালৈ আহিল এটি দেৱশিশু। মনও পৰিছিল শেৱালিৰ বিজিতলৈ খুউব। আজি তেওঁ থকা হলে কিমান আনন্দ কৰিলেহেতেন। নৱশিশুৰ কল্লোল্লে মৰহি যোৱা ঘৰখন জীপাই তুলিলে। শাহুৱেক আহি আনন্দ কৰিলে। কিছুদিনলৈ শেৱালিক ঘৰলৈ লৈ যোৱাৰ কথাও কলে। সুজিতে ভাতিজাকৰ নাম থলে "ৰূপক"।

দিনবোৰ আকৌ আগুৱাই গল। ৰূপকে কলকলাব ধৰিলে। তাক চাই দেৱজিত, শেৱালি আপোনপাহৰা হল। আৰু এদিন পিয়নে শেৱালিৰ হাতত তুলি দিলে এটি গধুৰ নীলাভ খাম।

পঢ়ি গল শেৱালিয়ে ঃ

"নবৌ,

আচৰিত হৈছা ? এয়া তোমাৰ সোনে লিখিছে । হয়তো জানি তুমি সুখী হবা তোমাৰ সোন এতিয়াও জীয়াই আছে । তোমালোকৰ বিভিন্ন সন্ধাল কাগজতে পাইও যোৱা নহল । শ্বিলঙতে চাকৰি এটা লৈ কোনোৰকম ডিগ্ৰীটো ললো । ৰিজাল্ট দিনা চাগে, তোমাৰ মোটল খুউব মনত পৰিছিলে । — — অহা বৃহস্পতিবাৰে ঘৰলৈ যোৱাৰ প্ৰস্তুতি চলাইছো । চাকৰি কৰি আমনি লাগিছে আৰু । তোমাৰ মৰমীবোৰলৈ খুউব মনত পৰিছে । য়োৱাৰ আগদিনা টেলিগ্ৰাম কৰিম — — ।"

হেৰুৱা মানিক ঘূৰাই পোৱাৰ আনন্দত দেৱজিত, শেৱালি উত্ৰাৱল হল । সুদীৰ্ঘ আঢ়ৈ বছৰৰ পাছত এয়া বিজিত আজি ৰাতিপুৱা উভতি আহিছে। এইবোৰ ভাৱিভাবি কিমান সময় যে বিছনাত পৰি থাকিল শেৱালি ! উঠি আহিৰ ধৰি ৰূপকৰ মুখলৈ চাই তাইৰ মনত পৰি গল । আহিয়ে বিজিতে ভাইক আৰু দাদাকক সেৱা কৰি সিহঁতৰ ৰোমলৈ সোমাই গৈ ৰিছনাত ৰূপকক দেখি থৰহৈ তাইৰ মুখলৈ চাইছিল । লাজতে শেৱালিয়ে কোনোৰকম কৈছিল 'তোমাৰ ভতিজা' । শুই থকা ৰূপকৰ কপালত সি লাহেকৈ চুমা এটা খালে । তাৰ পিছত চাহ জলপান আৰু ভাত খাই দাদাকৰ সতে বাগিছাৰ নতুন পৰিসৰ চাবলৈ গাড়ীলৈ ওলাই গল । আজিয়ে গাৱৰ পৰাও আহিবগৈ ।

বাহিৰত গাড়ীৰ হৰ্ণ বাজিল । শেৱালিয়ে দেখিলে হাঁহি হাঁহি কথা পাতি বিজিত আৰু দেৱজিত নামি আহিছে । শেৱালিয়ে মুখ হাত ধুবলৈ টায়েলখন উলিয়াই দি চাহৰ যোগাৰত লাগিল । দেৱজিত তললৈ নামি গল মালীটোক কিবা নিৰ্দ্দেশ দিবলৈ । বিজিতলৈ গাখীৰ একাপ লৈ আহি ৰুমৰ পৰ্দাখন ঠেলি এক মুহুৰ্ত্তৰ বাবে ভাই বৈ গল । বিছনাত বহি বিজিতে ৰূপকৰ লগত কথা পাতিছে । হাতভৰিবোৰ এচাৰি এচাৰি তাৰ কথাৰ লগে লগে ৰূপকে উলিয়াইছে—

জানিছো— ইতিমধ্যে তুমি মোৰ নবৌৰ মৰমবোৰ শেষ কৰি দিলা । তাৰ মানে তুমি মোৰ 'এনিমি নাম্বাৰ ওয়ান্' । তুমি আহিলা যেতিয়া তোমাৰ মা'ইতো মোক আগৰ দৰে মৰম নকৰে আৰু ... ... ।" কিবা এক ৰূঢ় সত্যই যেন শেৱালিৰ বুকুত শেলে বিন্ধাদি বিন্ধিলে । পানীৰে ভৰিপৰা চকু দুটা ছাদ্দৰৰ আচলোভৰে মচিবলৈ কৰুন হৈ পৰা বিজিতৰ মুখখনলৈ চাই শেৱালিয়ে হঠাতে ভাবিল ঃ "তিনি বছৰ আগৰ সমান বিজিতটো সচাঁই কৰবাত হেৰাই গল এইটোতে তাই কোলাতলৈ মৰম কৰা বিজিতটো নহয় । এইটো বয়সৰ নিষ্ঠুৰ পৰশত হেৰাই যোৱা ডেকা বিজিত' ।

---


অন্তিম শয্যাত ' নিজৰা কবি ' শৈলধৰ ৰাজখোৱা




জন্ম—১৮৯২ মৃত্যু—১৯

যোৱা ১৭ ডিচেম্বৰত স্বৰ্গগামী হোৱা
এই গৰাকী লুইতপৰীয়া সাহিত্যিকলৈ
আমাৰ শ্ৰদ্ধাঞ্জলি আগবঢ়ালো।

কুমাৰী ৰেণু সিংহৰ দুটা স্কেচ্




মাতৃ



# কেইটিমান ন-শিতান

।। অতীতৰ জিলিঙনি

।। এমুঠি ভাৰতীয় কবিতা

।। সুন্দৰৰ বৰচ'ৰা

# ॥ অতীতৰ জিলিঙনি ॥

( পুৰণি কানৈ কলেজ আলোচনীৰ পাত মেলি )

এটি কথা-কবিতা : অধ্যাপক যতীন দুৱৰাৰ

## —জীৱনৰ সাঁতোৰ—

সহায় সাৰথি বিহীন হৈ দুখ বেজাৰত অকলে অকলে এনি তেনি ঘূৰি ফুৰি ভাগৰত লাল কাল হৈ আবেলি বেলিকা এজোপা অশোক গছৰ তলতে আউজি বহিলোঁ, ঠাই ডোখৰ মোৰ বৰ ভাল লাগিল—আমগছ, কুলগছ আৰু আন কেবা জোপামান গছে ঠাই ডোখৰক ছাঁৰে শীতল কৰি ৰাখিছে। তলৰ দুবৰি খিনিও ঘন ঘন কৈ গজি ঠিক যেন এখনি দলিচা পাৰি থোৱাৰ দৰে হৈছে। মাজে মাজে অলপ বতাহ বলিছে। কেতিয়া যে টোপনি আহিল মই কবই নোৱাৰিলো। দেখিলো মই যেন এখন নৈৰ পাৰৰ ঘাঁহনিত শুই আছোঁ—লাহে লাহে দেখোন মোৰ জীৱটো দেহাৰ পৰা ওলাই গৈ নৈৰ পাৰত কিবা এটা বিচাৰি খপজপাই ফুৰিছে। এবাৰ কৰবাৰ পৰা খাগৰি এডাল আনি খুপি খুপি নৈ খন পাৰ হব খুজিছিল—তেনেতে খাগৰি ডাল ভাগি থাকিল। তাৰ পাছত আকৌ কৰবাৰ পৰা এডাল জোং আনি নৈ খন পাৰ হব খুজিছিল—অলপমান গৈ পানীৰ মাজ পাওঁতেই সেইডাল বোকাত সোমাই লাগি ধৰাত টানি উলিয়াবলৈ যাওঁতে উফাল খাই আহি কেনিবাদি পাৰত পৰিলহি—তাৰ অলপ পাছতে এডোখৰ কাঠ উটি অহা দেখি ধৰি আনি তাত হাতেৰে ভেজা দি পাৰ হ'ব খুজিলে—অলপমান ধৰি যাওঁতেই সেই কাঠ-ডোখৰো হাতৰ পৰা আতঁৰি সোতত উটি গল। তেতিয়া নিৰুপায় হৈ ইফালে সিফালে চাবলৈ ধৰিলে—কোনোবাই যেন কেনিবাদি মাত লগালে, "নিজৰ বাউসীৰ বলেৰে সাঁতুৰি আঁহা" দুবাৰমান আন ৰকমে চেষ্টা কৰি বিফল হৈ শেহত নিজৰ বাউসীৰেই সোঁতত পৰি দি সিপাৰ পালেগৈ—তেনেতে মই সাৰ পালোঁ বৰ ভাল লাগিল—প্ৰাণত এটা নতুন উচাহ আহিল, মনৰ পৰা দুখ বেজাৰ গ্লানি সকলো আতঁৰি গল। লাহে লাহে ঘৰমুৱা হলোঁ বেলি মাৰ গৈছে কিন্তু তাৰ হেঙুলি আভাই পশ্চিম আকাশ এতিয়াও ৰাঙলী কৰি থৈছে।

---

কানৈ কলেজ

# ॥ অন্তিম যাত্ৰা ॥

( পুৰণি কবিতা )

অধ্যাপক ঃ বেণুধৰ ৰাজখোৱা

যাবলৈ ওলালোঁ মই কেহেলি কেন্দেলি।
কোন্ বাটে যাব লাগে, জনা-শুনা নাই॥
সমূলি যাবৰ মন নাই নাই মোৰ।
একোকে নেজানো হাঁয় কেনে সেই ঠাই।

নিজ ঘৰ-বাৰী এৰি কিয় যাম মই?
যদি যাব লাগে, ঘৰ সাজিছিলোঁ কিয়?
ইয়ালৈকে গৃহস্থালী পাতিছিলোঁ নেকি?
ক'ত পৰি ৰল মোৰ পৰিজন প্ৰিয়!

পৰিয়ালে বেৰি আছে, নামাতে কোনেও।
চকুলোৰে ভাৰ্য্যা, মোৰ জনায় সম্প্ৰীতি।
কিন্তু কাৰো চেষ্টা নাই ধৰি ৰাখিবলৈ!
এয়ে নেকি পৃথিবীৰ গতি ৰীতি নীতি?

খিলিলিং—লিং কৰে ধনৰ মোনাটো।
তথাপি নিদিয়ে মোক বাটৰ খোৰাকি।
ভাবোঁ যাওঁ কিয় মই নিঠৰুৱা হই।
নাযাওঁ, ভুঞ্জিম সুখ ইয়াতেই থাকি।

কিন্তু, কিন্তু, টানে মোক নজনা শক্তিয়ে।
হল মোৰ বিয়াকুল চিত মন প্ৰাণ।
তেনেতে নিয়তি আহি কানে কানে কলে—
"জানিবা খণ্ডন নাই বিধিৰ বিধান।"

এতিয়া পালেহি ৰথ কৰবাৰ পৰা।
দুগোটা পখীয়ে আহি ৰথ নিয়ে টানি।
এটা ম'ৰা পখী আৰু আনটো শগুণ।
ঘৰ এৰি এই দৰে আলই আথানি।

সোওঁ দিশে টানে ৰথ সুশ্ৰী ম'ৰাপখী—
সি পোনে শগুণে টানে পখী কদাকাৰ।
শগুণৰ বল বেচি, সিয়ে নিলে টানি।
পোৱালেগৈ পাচে মোক যমৰ দুৱাৰ।

এতিয়াহে হল মোৰ কৰ্ম্মফল—সোধ।
মোক সুধি—পাচে মোৰ সাক্ষীও বিচাৰে।
কলোঁ "মোৰ শৰীৰতে আছে চৈধ্য সাক্ষী,
তেওঁলোকে মোৰ পক্ষে সাক্ষ্য দিব পাৰে"।

হাঁয় হাঁয়, কলে মোৰ বুকু ফাটি যায়—
সপক্ষে নকলে মোৰ সাক্ষী কোনো জনা।
উপায় নেপাই মই কান্দিব ধৰিলোঁ—
অনুতপ্ত হৈ ক্ষমা কৰিলোঁ প্ৰাৰ্থনা।

সৰল প্ৰাণেৰে মই অনুতাপ কৰি,
ৰজাৰ পাৱত পৰি কান্দিলোঁ অশেষ!
কুমলি যমৰ বজ্ৰ-হিয়া এটিবাৰ...
কলে 'শুন্, দুৰ্ভগীয়া, ই মোৰ আদেশ।

সঁচাকই যদি তই হৈছ অনুতপ্ত,
অহাবাৰ আচৰিবি সুনীতি ধৰম।
ঘূৰি যাগৈ পৃথিবীলৈ এৰিলোঁ ইবাৰ;
ইচ্ছামতে পৃথিবীত লভিবি জনম"।

এনেতে শগুণে টানি নিলে ৰথখন—
অকলে থাকিল ম'ৰা মোলৈ বাট চাই।
ৰাজ অদেশত উঠি মৰাৰ পিঠিত,
পৃথিবীলৈ চুটি মেলি আহিলোঁ টোৰাই।

---

# ॥ এমুঠি ভাৰতীয় কবিতা ॥

## পৰিচিতি ঃ

[ কাঁনৈ কলেজ আলোচনীৰ সম্পাদকে এটি নতুন শিতান 'বিভিন্ন দেশৰ কবিতা' খোলাৰ কথা কৈছে, আৰু কৈছে কবিতাখিনি অনুবাদ কৰি দিবলৈ। সম্পাদকৰ এই মহান প্ৰচেষ্টাৰ আদৰণি জনাই সংবিধানৰ স্বীকৃত বিভিন্ন ভাষাৰ এমুঠি ভাৰতীয় কবিতা অনুবাদ কৰি দিছো। কেইটামান কবিতাৰ বাহিৰে বাকীখিনি Poems of India নামৰ ইংৰাজী কিতাপখনৰ পৰা অনুদিত। উৰ্দু, পাৰ্চী আৰু বঙালী কবিতাকেইটা মূলকবিতাৰ পৰা তুলি অনা হৈছে।

অসমীয়া সাহিত্যত সুজাতা প্ৰিয়ম্বদাক পৰিচয় কৰি নিদিলেও হব উড়িষ্যাৰ এই স্বনাম ধন্যা লিখিকাৰ অনুপমা লেখনি ধাৰাবাহিকৰূপে বিভিন্ন ভাষাতো অনুদিত হৈ আছে। উড়িষ্যাৰ আটাইতকৈ জনপ্ৰিয় কবি এই সুজাতা প্ৰিয়ম্বদা এতিয়াও নিৰৱে সাহিত্য সাধনা কৰি আছে। পঞ্জাবৰ জনপ্ৰিয় লিখিকা অমৃতা প্ৰীতমে গল্প, কবিতা সমালোচনা আদিত সমানে প্ৰতিভা দেখুৱাই চুনেহৰী নামৰ এখন কাব্য সংকলনত ভাৰতীয় সাহিত্যৰ শ্ৰেষ্ঠ সন্মান একাদেমী বঁটা লাভ কৰিছে। দক্ষিণ ভাৰতৰ বেলিয়াপ্পা প্ৰকৃততে ঔপন্যাসিকহে। কবিতাৰ সংখ্যা খুব কম ধাৰাবাহিকৰূপে উপন্যাস লিখি আহিছে। দক্ষিণ ভাৰতত বেলিয়াপ্পা এটি জনপ্ৰিয় নাম। মাত্ৰ এখনহে কাব্য সংকলন প্ৰকাশ কৰিছে। চামচুন নাহাৰ ইছলামৰ কবিতা ভাৰতীয় বিভিন্ন ভাষাত অনুদিত হৈছে, ইনচানো ফানিন নামৰ কবিতাই এসময়ত কাব্য সাহিত্যত আলোড়নৰ সৃষ্টি কৰিছিল।

আটাইকেইজন কবিৰ জীৱনী বা পৰিচয় কোনো ভাষাতে প্ৰকাশ হোৱা নাই। ভাৰতীয় কবিতাত মাত্ৰ কবিতাখিনিৰ অনুবাদ কৰিছে। গতিকে চমুপৰিচিতি দিয়া অসম্ভৱ, এই খিনিতে চাই সম্পাদক শ্ৰীতৰুণ গগৈক এনে প্ৰচেষ্টাৰ বাবে শলাগ লওঁ। মোক এনে সুযোগ দিয়া বাবে ধন্যবাদ জনাইছো। অমৰ হওঁক কাঁনৈ কলেজ আলোচনী। ]

আক্ৰামুল ইছলাম।

## জ্বৰাক্ৰান্ত।

মূল :— সিন্ধী

পৰশৰাম

আশ্ৰয়, আস্বাদ, নাৰী বহুদিন মোৰ হৈ আছিল
বহু প্ৰজাপতি আছিল, বহু হাঁহি, বহু বিস্ফোৰণ
জন্মদিন, মিথ্যাচাৰ, ধাৰ্ম্মিক সুসৰ
ৰঙীন মুখৰ কিছুমান জন্মমৃত্যু মাউথ অৰ্গেন
বহুকাল মোৰ, বহুদিন আমাৰ, কিছু গোপনীয়
নিৰ্বচিন আছিল।

---

## ॥ বহাগী পূৰ্ণিমা, ॥

উৰীয়া ।

সুজাতা প্ৰিয়ম্বদা ।

আজি যি জোন উঠে
বিশ্ব আকাশত
মেঘে
উজলাব ভয়াবহ নিৰ্জীৱতা
অতীতৰ বহুযুগৰ হতাশা আৰু ব্যৰ্থতাৰ
আৱৰ্জনা স্তূপ —
হিৰোশ্বিমা আৰু নাগাচাকিৰ ধূলি
আণৱিক বিস্ফোৰক ক্ষেপণৰ পীঠ
বিপদজনক ধ্বংসৰ ঘাটি
মানুহৰ ভয় আৰু ঘৃণাৰে নিৰ্মিত ॥
জ নটোৰ পোহৰৰ ধাৰা বাকি
ভয়ত মুমূৰ্ষু ধাৰাত,
অনুনয় কৰি মানুহক কয়
শুনিবলৈ কাণ পাতি —
বুদ্ধ গয়াৰ
বাণী সমূহ —
শান্তি আৰু সহানুভূতিৰ
সৰ্বদিশ উজ্বলোৱা আলোকৰ
আৰু প্ৰকৃত জ্ঞানৰ ॥

—— × ——

## ॥ মমশিখা ॥

মূল ঃ— তামিল

জানকী বল্লভ মহান্তি ।

প্ৰভাল মমক ; কিয় দুয়োফালে জ্বলাইছা ?
খুব অহঙ্কাৰী হলেহে এনেকাণ্ড কৰা যায় ।
তুমি ইমান অহঙ্কাৰী কিয় ?
চকুৰে চকুৰে খুন্দা খালে অন্য ফালে চাই থাকা
হাতত হাত ৰাখিব খুজিলে ঠেলি দিয়া
হাতৰ তুলসী মালা কাঢ়ি লৈ পেলাই দিয়া
অথাচ তাৰপিচত ইমান শান্ত স্বৰে কথা কোৱা, যেন
একোৱে হোৱা নাই
যিবোৰ যেনেকৈ আছিল, অলপো সলনি হোৱা নাই

খুব অহঙ্কাৰী হলেহে এনে কাণ্ড কৰা যায়।
অথচ এনে কাণ্ড কৰাৰ এতিয়া কোনো প্ৰয়োজন নাছিল
অন্য একো নাথাকক, তোমাৰ
স্মৃতি আছিল ; স্মৃতিৰ ভিতৰত
ভুবন উটুই দিয়া এখন নদী আছিল ; তুমি
নদীৰ ভিতৰত ডুব মাৰি কেইটামান বছৰ
অনায়াসে কটাব পাৰা। কিন্তু নকটালা,
এতিয়া দ প্ দপ্ কৈ জ্বলিছা প্ৰচণ্ড জুইত
খুব অহঙ্কাৰী হলেহে এনে কাণ্ড কৰা যায়
তুমি ইমান অহঙ্কাৰী কিয় ?
এডাল মম, অথচ অহঙ্কাৰত তুমি দুয়োফালে জ্বলাইছা।

---

# : ছাঁই। :

মূল ঃ— কাশ্মীৰী। — ছামচুন নাহাৰ ইছলাম।

আকাশৰ ফাঁকেদি
খাকী ৰঙৰ ছাঁ মোৰ বিচনাত সোমাইছে,
ৰাজপথৰ শিলৰ ওপৰত ছাঁৰ কান্দোন।
দীৰ্ঘ বিয়লি বেলকা মই বতাহত ভেজা দি বহো।
ছায়াতৰুৰ ছাঁ পৰিছে বাটৰ ওপৰত
যথাৰ্থ ছাঁ
অনেক ছায়ামূৰ্তিৰ জনতা মোৰ খিৰিকীৰ কাষত ঃ
সিহঁতৰ মাজত দেখিলো মোৰ হেৰোৱা যৌৱন
তেওঁ স্তব্ধ বিস্ময়ত মোলৈ চাই আছে :
তেওঁৰ স্বচ্ছ চকুত যেন ভাহিছে এখৰ মহাদেশ
আৰু মোৰ মুদ খোৱা চকুত মাত্ৰ এমুঠি মাটি—
আমাব দুয়োৰে চকুত হাজাৰ জোৱাৰ ভাঁটা
এতিয়া ছাঁইৰ দৰে উৰিছে সৰাপাতৰ ছাঁ
মানৰ গভীৰ কেনণত খুচি দিলেও ছাঁই উৰে।
এতিয়া আবেলি, এই আবেলিৰ শেষ নাই।

---

## কালান্তক ঃ

মূল ঃ কানাড়ী বাসবৰাজ কাট্টিম'নি

"এতিয়া আকণ্ঠ নহয় পিপাসা বাঞ্চিত জীৱনী
এৰিব শীতল জৰা যৌৱনৰ চপল আঙুলি
ক্রমশ হেৰাব ছন্দ, শক্তি, গতি সক্রিয় ধৰ্ম'নি,
অনন্ত নহব এই মুক্তিময় শুভ্র দিনবোৰ
থাকিব অনুক্ত জানো অন্তৰৰ নিৰঞ্জন ধ্বান—
নতুবা অশোকগুচ্ছ দিনান্তৰ ব্যবস্থিত ধূলি।
মোক, হে প্রিয় বন্ধু, লৈ বলা এতিয়াই সেই দুৰ্গলৈ
যত পাম প্রণয়ৰ স্ব প্লাদ্য মাদলী
যি পালে অকৃতকৰ্ম্ম সময়ৰ দুলঙ্ঘ্য লিখনীয়ে"—
এই বুলি দুবাহুৰে প্রেমিকৰ চৰণত ধৰি
সেই নাৰী হেৰাই গ'ল অন্ধকাৰৰ পৰা অন্ধকাৰলৈ
সন্ত্রাস, বিক্ষুদ্ধ আৰু আবিশ্বসৰ দৰে পিচলি
কোনে জানে উপনীত হলনে নাই কালান্তক প্ৰণয় দ্বাৰত।

---

## অনন্যো পায়

মূল ঃ— মালয়ালম : শ্রীবাস্তৱ ডি ৰেড্ডী

হৃদয় ভঙা সহজ
গঢ়িবলৈ হলে বহুত লাগে।
ৰ'দ লাগে, ছাঁ লাগে
কিছুমান গছৰ শিঁহৰণ লাগে
পানীৰ মৃদু ৰেখা লাগে
ফুলৰ কাষলৈ যাব লাগিব
হয়তো কোনো অস্ত্র তুলি
নিৰ্জ্জনতা ঠেলিব লাগিব
চন্দ্ৰৰ অভিশাপ
বজ্রৰ গৰ্জ্জন পাবা
তথাপি শান্ত হৈ ৰবা
অন্য কোনো হৃদয় খুজি
অনন্যোপায় কৰিব লাগিব।

---

## ঃ মহাকাশৰ পৰাঃ

মূল ঃ— উৰ্দ্দু আবদুৰ ৰচিদ ৱাচেক পুৰী।

সেই নক্ষত্ৰ বলয়ৰ জুইশিখা পাৰহৈ
চিৰৰাত্ৰিৰ অন্ধ কাৰ পাৰহৈ
জনশূন্য মহাকাশাক ফালি
পৃথিৱীলৈ ঘূৰিছো
সহজে চকুত পৰিল মেঘবলয়ৰ তলত
নীল সমুদ্ৰৰ পাৰৰ সেউজীয়া বনৰৰেখাৰ
স্ফটিকৰ দৰে নদী নিজৰাত
জলমল কৰিছে পৃথিৱী
ফুলৰ জ্বলমলঅঙ্গশোভা
উড়ন্ত পখীৰ সোনালী ৰহণ
সমুদ্ৰৰ স্বৰ আৰু মানুহৰ কাঁকলিত
পৃথিৱী আগুৱাই আহিল।
আহা, আমাৰ বাবে ঢৌ উচ্ছ্বাসিত
শৈলমালাৰ ৰূপালী ধাৰত
বিষুব ৰেখাৰ মানুহৰ অন্তৰৰ
অক্ষয় ভালপোৱা।

——×——

## ॥ বদ্ধ পৰিবেশ ॥

ঃ— গুজৰাটী। কে-বেলিয়াপা

জীৱন কাটিছে যাৰ নগৰৰ বদ্ধ পৰিবেশত
খুব মধুৰ লাগে চাই থাকি;
নীল আকাশৰ সুনিৰ্ম্মল হাঁহিটোলৈ
আৰু মধুৰ লাগে মুখেৰে কোৱা প্ৰাৰ্থনাটোক
একান্ত অন্তৰৰ সেই মেঘমুক্ত আকাশলৈ চাই
দেখিলো এক প্ৰেম কাহিনী
আৰু সন্ধিয়া আকাশৰ মেঘ দেখি ভাবিলো
বলৰ নিঃশব্দে বিলীন হল সুমধুৰ দিন
যেন কোনো দেৱতাৰ অশ্ৰু কণা সূক্ষ্ম অতি ক্ষীণ

———

সোণমূলীয়া সংস্কৃতিয়ে
পোহৰ দিয়ে
এই পৃথিবীত
সোণৰ জীৱনৰ
মহা মনীষাৰ
মহা প্ৰতিভাৰ
জন জীৱনৰ, সোণৰ সপোনৰ ॥

—জ্যোতি ককাইদেউ

# ॥সুন্দৰৰ বৰচ'ৰা॥

পৰিচালনাত
শ্ৰীহেমন্ত কুমাৰ দত্ত ॥

অভিজ্ঞতাও নাছিল, আৰু কোনোদিন ভবাও নাছিলোঁ। সম্পাদক তৰুন কুমাৰ গগৈ আহি এদিন মোৰে সৈতে আলোচনা কৰিলে কেনেকৈ এইবোৰৰ আলোচনীখন গতানুগতিক-পৰা অকমান ফালৰি কাটি আনিব পাৰি। শিতান কেইটিমান খোলাৰ আলোচনা হ'ল। ময়ো হয়ভৰ দিলোঁ আৰু সেই আলোচনাৰ ঔৰসতেই "সুন্দৰৰ বৰচ'ৰাৰ' জন্ম। জন্মতে হাঁহি আছে। প্ৰাণ খুলি হাঁহিব পাৰি। আনন্দ কৰিব পাৰি। যেতিয়াই এই চৰাৰ দায়িত্ব মোক দিলে মই বৈ গলো। অভিজ্ঞতাও নাছিল আৰু কোনোদিন ভবাও নাছিলোঁ। কিন্তু তৰুব গগৈৰ চেনেহৰ দাবিয়ে মোক সেই কাম হাতত লবলৈ বাধ্য কৰালে। মই জানো এনেকুৱা এটা চৰাৰ পৰিচালনাৰ ভাৰ লবলৈ কিমান অভিজ্ঞতা আৰু জ্ঞানৰ প্ৰয়োজন। মোৰ সেয়া নাই। তাৰ বাবে আগতিয়াকৈ ক্ষমা বিচাৰি থৈছো।

যিখন আকাশত গৰুড় পক্ষী উৰে, সেই একেখন আকাশত ক্ষুদ্ৰ মৌ মাখিও উৰে।' সংস্কৃতিৰ সুন্দৰ নীলা আকাশৰ তলত মই ক্ষুদ্ৰ মৌ মাখিহে,— গৰুড় নহয়। মৌ মাখিও উৰে। উৰিব পাৰে। পিচে মৌ মাখি হৈ গৰুড়ৰ দৰে উৰিবলৈ প্ৰয়াস কৰিছোঁ বুলি যেন কোনেও নেভাবে।

ডঃ ভূপেন হাজৰিকা ॥

কেইটামান মূহুৰ্ত্ত ॥

১৫ চেপ্তেম্বৰ।

এখন পথাৰ। কেইটিমান ঘৰ। এখন বাগিছা। আমি খোজ কাঢ়ি গৈ আছোঁ! মই আৰু সম্পাদক তৰুন গগৈ। মনত বহুত প্ৰশ্ন, বহুত চিন্তা, বিভিন্ন ভাবৰ সমন্বয়। কোনোবাই কৈছিল, 'মানুহজন বৰ খঙাল'। সেয়ে মনত ভয় আছিল। জানোচা কিবা সোধোতে, কিবা বুজ, কিবা কৈ দিয়ে? আগতেও পাইছোঁ বহুতবাৰ। কিন্তু এইবাৰ লগ কৰিবলৈ যোৱাৰ উদ্দেশ্য বেলেগ। আমি গৈ আছো দুৰৈত দেখিছোঁ 'চহৰীয়া টাউন হলত' বিজুলি চাকৰ পোহৰ। মাইকৰ পৰা গানৰ কলি ভাহি আহিছে।

হলৰ সম্মুখত মানুহৰ ভিৰ। যান বাহনৰ ভিৰ। আমি কিছু সময় ৰৈ গলোঁ। বিচিত্ৰানুষ্ঠান আৰম্ভ হবলৈ তেতিয়াও কিছু সময় আছিল! ডিবুৰু চহৰৰ কলামোদী ৰাইজ তেতিয়াও হলৰ ফালে আহিয়েই আছিল। আমাৰ প্ৰায় কাষতে আহি গাড়ী এখন ৰলহি। গেট বন্ধ। মানুহ। গাড়ীখন ভিতৰলৈ নিব পৰা নাই। গাড়ীৰ দুৱাৰ খুলি নামি আহিল অসমীয়া কথাছবিৰ সুদৰ্শন নায়ক বিজয় শঙ্কৰ। তাৰ পিচত নামিল অসমৰ অন্যতম কণ্ঠ শিল্পী জয়ন্ত হাজৰিকা আৰু 'লটি-ঘটি' খ্যাত কৌতুক অভিনেতা, 'পেৰডি' গায়ক দোস্ত হবিবুৰ ৰহমান। গাড়ীৰ ভিতৰ চাবলৈ ডিঙি মেলিলো। সমুখতে আহি কেইজনমান মানুহ থিয় হ'ল। একো নেদেখিলোঁ। অলপ পিচত গাড়ীখন ভিতৰলৈ সোমায়ে গ'ল। আমিও সোমাই গলো মাইকত ঘোষণা শুনিলোঁ— ৰাইজলৈ শ্ৰদ্ধা জনাই আমাৰ সঙ্গীত সন্ধীয়া আৰম্ভ কৰিছোঁ সমবেত সঙ্গীতেৰে ... ...।' বাহিৰত জুম পাতি ৰৈ থকা মানুহবোৰ হললৈ আহিল। তৰুনলৈ চালোঁ। তৰুনে বুজিলে। লাহে লাহে দুয়ো "অডিটৰিয়াম'ৰ পৰা ওলাই আহিলোঁ। তাৰ পিচত চিকাৰীৰ দৰে দৃষ্টি লৈ বিচাৰি ফুৰিলো— 'ক'ত পাওঁ?' হঠাতে গ্ৰীনৰুম'ৰ পিচফালে দেখিলো 'গেটৰ সম্মুখত দেখা গাড়ীখনৰ পিচৰ চিটত বহি আছে। আগুৱাই গৈ মাতিলো—

"ভূপেন দা!"—

খিৰিকিৰে বাহিৰলৈ চাই সুৰ গুন্ গুনাই থকা অসমৰ মহান সংস্কৃতিৰ সাধক সুন্দৰৰ পুজাৰী ডঃ ভূপেন হাজৰিকাই আমালৈ উভটি চালে। আকৌ মাতিলো—ভূপেন দা! আপুনি ইয়াত যে? হাঁহি হাঁহি গাড়ীৰ দুৱাৰখন খুলি দি মাতিলে—'আহা' ইয়াতেই বহাহি।' ভাবিলো অলপ নিৰিবিলি বিচাৰি বহি থকা শিল্পীজনক আমনি কৰিলোহি নেকি বাৰু? 'ভূপেন দা, আপোনাক আমনি—মোৰ কথা শেষ নৌ হওঁতেই মিচিকিয়া হাঁহি এটিৰে ভূপেন দাই কলে—মানুহৰ পৰা মই পলাই ফুৰো বুলি ভাবিছা নেকি? মই মানুহৰ মাজলৈ যাবলৈহে গীত লিখোঁ। গাওঁ।" আমিও বহিলো গৈ। আমাৰ চিনাকি দি আমাৰ কথা কলো। প্ৰথমতেই আমাৰ কলেজ আলোচনী এখনত সংস্কৃতিৰ শিতান এটা খুলিবলৈ লোৱা বাবে তেখেতে আমাক শুভেচ্ছা জনালে।

আমি কথা পাতিলোঁ। বহুত কথা।

গতানুগতিক ধাৰাৰ সাক্ষাত প্ৰসঙ্গ নহয়। মাথো কেইটামান মুহূৰ্ত্তৰ আলোচঁনাহে। যি জনৰ প্ৰত্যেকটো কথাই ভাল লাগে, গান গান লাগে, তেখেতক মাত্ৰ কেইটামান দিৰ্দ্ধাৰিত প্ৰশ্ন কৰাৰ ইচ্ছা নহল। আমি মাথো মাজে মাজে দুই এটা কথা শুধি গলোঁ। তেখেতে কই গল। এবাৰত্ত মই সুধি পেলোৱা এযাৰ কথাৰ উত্তৰত তেখেতে কৈছিল—"ৰাজনীতিয়ে শিল্পীক হত্যা কৰিব নোৱাৰে।" কথাবোৰ কওঁতে দেখিছিলো কিবা এটা দৃঢ়তাৰ উজ্জ্বলতাই যেন তেখেতৰ চকু মুখত বিৰাজ কৰিছিল। অসমৰ চৰকাৰী ভিত্তিত নিৰ্মিত ষ্টুডিঅটোৰ বিষয়ে কথা ওলোৱাত তেখেতে কৈ ছল—কাহিলি পাৰাত প্ৰতিস্থিত জ্যোতি চিত্ৰবন এতিয়া আন আন পিচপৰা প্ৰদেশবোৰৰ বাবে প্ৰেৰণা আৰু আদৰ্শৰ স্থল হৈ পৰিছে। ষ্টুডিঅটিৰ যান্ত্ৰিক দিশটোৱে এদিন সৰ্ব্ব ভাৰতীয় সমাদৰ লাভ কৰিব।" তেখেতে বৰ্ত্তমান অসমৰ মূখ্য মন্ত্ৰী শ্ৰীযুত চলিহা দেৱৰ সংস্কৃতি অনুৰাগী মনটোৰো প্ৰশংসা কৰিলে। তাৰ পিচত ষ্টুডিঅ টোৰ নামাকৰণৰ বিষয়ে কথা ওলাইছিল। দেখিছিলোঁ ভুপেন দা কিছু সময়ৰ বাবে নীৰব হৈ গৈছিল। বা হৰলৈ চাইছিল। তাৰ পিচত এদাল সিগাৰেট জ্বলাই লৈ প্ৰায় ক্ষোভত চিঞৰি উঠাৰ দৰে কলে "অসমত এতিয়াও এনে কিছুমান কুলাঙ্গাৰ আছে যিবিলাকে "জ্যোতি চিত্ৰবন" নামটো ৰাখিবলৈ সঙ্কোচ বোধ কৰে।

আমিও ভাবিছিলোঁ অসমৰ কথাছবি জগতৰ কট্‌কটিয়া ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদৰ নামেৰেই যদি চিত্ৰবনও নামাকৰণ নহয় তেনে-হলে কাৰ নামেৰে হব?

আমি সকলো কিছু সময় মনে মনে ৰলো। মঞ্চত তেতিয়া বোধ হয় দোস্ত হৰিবুৰে পেৰদি গাইছিল। মাজে মাজে শ্ৰোতাৰ হাঁহি ভাহি আহিছিল। অসমত দিনে দিনে বাঢ়ি অহা শ্ৰোতা আৰু পাঠকে অসমৰ সাহিত্য সংস্কৃতিৰ এক উজ্বল ভৱিষ্যতৰ সূচনা কৰিব।" হঠাতে ভুপেন দাই কৈ উঠিছিল। আৰু কৈছিল—মোৰ কথাছবিখন এতিয়াও ৰাইজক দিব পৰা নাই। আপোন মনে এই কেইষাৰ কথা কৈ ভুপেন দাই ৰৈ গৈছিল। মই সুধিলোঁ—ভুপেন দা! এটা কথা। অসমীয়া কথাছবি সংখ্যাও তাকৰ। তেনেকুৱা ক্ষেত্ৰত হেজাৰ বাধা বিঘিনি অতিক্ৰম কৰি কোনোমতে ৰাইজৰ আগলৈ ওলাই অহা এখন কথাছবিক বাতৰি কাকতে অলপ প্ৰেৰণাদায়ক সমালোচনা কৰিব নোৱাৰেনে?" ভুপেন দাই হাঁহিছিল। সেই দিনাখনৰ সঙ্গীত সন্ধীয়াৰ আয়োজন কৰা ৰূপ-জ্যোতি সংঘৰ" শ্ৰীদুৰ্গা বৰঠাকুৰে আহি কলেহি যে আৰু দুটা সূচীৰ পিচতেই ভূপেন দাৰ গান আছে। আমি বুজিছিলোঁ আমাৰ যাবৰ সময় হৈছে। কিন্তু ভূপেন দাই মোৰ প্ৰশ্নৰ আত টানি কলে "অসমৰ সুস্থ সহেৰে সংস্কৃতি সাধনা কৰাতকৈ সমালোচনা কৰা পণ্ডিত গবেষকহে বাঢ়িছে। পুখুৰীৰ বিষয়ে দহ বছৰ গবেষনা কৰাতকৈ নিজে বোকাত নামি পুখুৰী খান্দি চোৱা উচিত।" আমি ৰৈ আছিলোঁ। কবলগিয়া বা সুধিব লগিয়া বহুতেই আছিল। এইবাৰ ভূপেন দাই নিজৰ কাষৰ দুৱাৰখন খুলিলে। বুজিলো আমাৰ সাক্ষাতৰ সময় পাৰ হল। আমিও

উঠিবলৈ লওঁহৈত ভূপেনদাই কলে—" এটা ভাল কথা। অসমত এটা 'ৰেকৰ্ড ফেক্টৰী' স্থাপন কৰাৰ বাবে মই চেষ্টা চলাইছোঁ। চৰকাৰীভাবে। মই চলিহা দেৱক ধৰিম। যিথন 'ষ্টেট' এটা নিজস্ব ষ্টুডিঅৰ মালিক হব পাৰে সেই একেখন 'ষ্টেট' নিজস্ব 'ৰেকৰ্ড ফেক্টৰী' এটাৰ মালিক কিয় হব নোৱাৰিব।"

ভূপেন দাৰ পৰা বিদায় ললোঁ। লাহে লাহে ভুপেনদা গ্ৰীনৰুমলৈ সোমাই গল।

আমি সেইফালেই চাই থাকিলোঁ। তেতিয়া মঞ্চত বেহেলা বজাই আছিল বিজয় শঙ্কৰে। এটা মধুৰ কোমল শব্দ ভাহি আহি আমাৰ কানত পৰিছিল। আৰু মই কোনোবাই কোৱা সেই কথাষাৰ ভাবিছিলোঁ— 'মানুহজন বৰ খঙাল'। এৰা মানুহজন খঙাল, কিন্তু সংস্কৃতিৰ চিৰশত্ৰু দুষ্কৃতিৰ ছাঁত বাছিথকা কুলাঙ্গাৰৰ প্ৰতিহে।

⊙

## এটি নতুন গীত।
## অধ্যাপক তফজ্জুল আলিৰ।।

অ' জীৱন!
তোক কত ৰূপত দেখিলোঁ,
তোৰ হাঁহি দেখি
অকাৰণে হাঁহিলো
তোৰ কন্দোন দেখি
হিয়াধুনি কান্দিলোঁ ॥
তই গোৱালি যি গীত
কোৱালি যি কথা
তাত পালো কি আনন্দ
পালোঁ কিনো ব্যথা,
তাৰ আধাহে বুজিলোঁ
আৰু আধা নুবুজিলোঁ ॥
তই কত ছবি আঁকি
কত দিলি মচি
তাৰে এখন চৰি
থৈছিলোঁ সাঁচি,
তোৰেই মায়াত পৰি
তাকো মচি দিলোঁ ॥

○

# আমি ওভটি চাওঁ ॥
## বিভিন্ন সময়ত সুখ্যাতি অর্জ্জা কেইজনমান ॥

পুৰনি আলোচনীৰ পাত মেলি আমি আমাৰ কলেজৰ সঙ্গীত আৰু নাট প্ৰতিযোগীতাৰ শ্ৰেষ্ঠ শিল্পী কেইগৰাকী মানব নাম পাইছিলোঁ। কলেজৰ সেই বছৰ বোৰৰ পৰা আজি বহু আগুৱাই আহিলোঁ। সেয়ে এই সুবিধাতে আমি সেই সকলৰ নাম সোঁৱৰো।

| চন | (শ্ৰেষ্ঠ সুকুমাৰ কলা প্ৰতিযোগী) | শ্ৰেষ্ঠ অভিনেতা |
|---|---|---|
| ১৯৫১—৫২ | শ্ৰীনৰেন্দ্ৰ নাথ গোস্বামী | |
| ১৯৫৩—৫৪ | " বিশ্বনাথ গাঙ্গুলি | |
| ১৯৫৪—৫৫ | " কুমাৰী বাসন্তী দেবী | |
| ১৯৫৫—৫৬ | " দিপালী শৰ্ম্মা | |
| ১৯৫৬—৫৭ | " শিখা দাস গুপ্ত<br>শ্ৰীসুব্ৰত ৰায় | শ্ৰীমিচবাউল হুদা |

| | শ্ৰেষ্ঠ সঙ্গীত প্ৰতিযোগী | |
|---|---|---|
| ১৯৬০—৬১ | কুমাৰী আলম আৰা বেগম | শ্ৰীবিনয় কুমাৰ অজিতচৰীয়া |
| ১৯৬১—৬২ | শ্ৰীসুবীৰ কুমাৰ মুখাৰ্জ্জী | " শশকমল সন্দিকৈ |
| ১৯৬৪—৬৫ | " ৰাজেন গোঁহাই | " হেমন্ত কুমাৰ দত্ত |
| ১৯৬৫—৬৬ | " বসন্ত ভট্টাচাৰ্জী | " হেমন্ত কুমাৰ দত্ত |
| ১৯৬৬—৬৭ | " অনন্ত ভট্টাচাৰ্জী | " অনিল মণ্ডল |
| ১৯৬৭—৬৮ | " মুনিন দত্ত | " হেমন্ত কুমাৰ দত্ত |

শ্ৰেষ্ঠা অভিনেত্ৰী

| | |
|---|---|
| ১৯৬৫—৬৬ | কুমাৰী ৰুক্সনা বেগম, |
| ১৯৬৬—৬৭ | " ৰুক্সনা বেগম |
| ১৯৬৭—৬৮ | " ৰেনু সিং |

বহুত বিচাৰিও কেইটামান বছৰৰ শ্ৰেষ্ঠ প্ৰতিযোগীৰ নাম আমি বিচাৰি নেপালোঁ। সেই সকলৰ নাম প্ৰকাশ কৰিব নোৱাৰাৰ বাবে আমি দুঃখিত। এই খিনি দোষৰ বাবে ক্ষমা বিচাৰিছোঁ।

# আৰোগ্য কামনা
## শিল্পী বিষ্ণু ৰাভাৰ বাবে॥

আমি এনেকুৱা এখন দেশৰ মানুহ যি থন দেশত শিল্পীৰ মৃত্যুহয় অনাহাৰত। আমি এনেকুৱা এখন দেশৰ মানুহ যত জাতীৰ গা উদং খনিয়াৰ আভাৱত। এইখন দেশত শিল্পী মানে এটা বতৰৰ ফুল। বতৰ শেষ হোৱাৰ পিচত সেই শিল্পীক সকলোৱে পাহৰি পেলায়।

এই বোৰ কথা আজি মনত পৰিছে হঠাতে শিল্পী ককাইদেউ বিষ্ণু প্ৰসাদ ৰাভা-দেৱৰ অসুস্থতাৰ সংবাদ পাই। নিজকে সম্পূৰ্ণৰূপে চিৰসুন্দৰৰ নামত সঁপি দি জনতাৰ মাজত নিজৰ শিল্পীসত্বাক বিলাই দিয়েই যি জীৱনৰ কৰ্ত্তব্য কৰিছোঁ বুলি ভাবি ললে সেই সকলৰ মাজত বিষ্ণুৰাভাও এজন। বহুতেই হয়টো কৰিব পাৰিলে হেঁতেন নিজৰ বাবে। একো নকৰিলে। নিজতকৈ জনতাক ডাঙৰ দেখিলে। হাঁহিলে কান্দিলে, নাচিলে, গালে, লিখিলে, আঁকিলে। বিদেশীৰ গ্ৰাসৰ পৰা দেশ মাতৃক উদ্ধাৰ কৰিবলৈ সংগ্ৰামত জপিয়াই পৰিল।

বিষ্ণু ককাইদেউৰ চিকিৎসাৰ বাবে বিভিন্ন শিক্ষানুস্থান আৰু সাংস্কৃতিক অনুস্থানে বিভিন্ন উপায়ে সংগ্ৰহ কৰি অৰ্থ-সহাৰ্য্য আগবঢ়াইছে। মই বিষ্ণু ককাইদেউৰ বিভিন্ন কাৰ্য্যকলাপৰ কথা আজি সোঁৱৰীছো। পাহাৰৰ ৰঙা মাটিৰ হাঁহি মুখত লৈ যি জনে অসমৰ পাহাৰ আৰু ভৈয়ামক হহুৱালে সেই জনৰ বাবে আমিও কিবা অলপ কৰিব নোৱাৰো নেকি? আমাৰ কলেজৰ পৰাও কিবা অলপ কৰা উচিত নহয় নেকি?

আহক আমি সকলোৱে ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰো শিল্পী বিষ্ণু প্ৰসাদ ৰাভা, অসমৰ জীয়া গদাপানি, কমৰেদ, ৰভা দেৱ যেন শীঘ্ৰেই আৰোগ্যৰ পথলৈ আহে।

(কেইটিমান গীত॥
কালিৰ আৰু আজিৰ কানৈয়ানৰ ॥

## ॥ নিকোলাচ ৰৰিকৰ নহয় : গীত॥

আধ্যাপক ইদ্ৰিচ আলি (প্ৰাক্তন ছাত্ৰ)

মোৰ টেবুলৰ ওপৰত এখনি ছবি
নিকোলাচ ৰ'ৰিকৰ নহয় পিচে
দুৱাৰ খিড়িকী মৰা বন্ধ ঘৰত
অবাক ছবিয়ে মোক হৃদয় যাচে॥
ছবিয়েও কথা কয় কথা শুনে মনে মনে
জীৱন আৰৱি ৰাখে সংগোপনে
অমৰ হাঁহিয়ে আৰু অমৃত সাধুৰে
নিৰলস নয়নত সপোন সাঁচে॥
শুনা মনালিচা! যদি আহি কোনোবাই
সন্ধ্যা দীপৰ শিখা দিয়েহি জ্বলাই —
বন্ধ দুৱাৰ মোৰ খুলৰ তেতিয়া।
মই জানো শিল্পীৰ ৰূপ-তুলিকত
তাৰেহ প্ৰতিশ্ৰুতি লুকাই আছে॥

—— x ——

## আজি গান গাওঁ ॥

জিতেন চুতীয়া
(প্ৰাক্তন ছাত্ৰ)

আজি গান গাওঁ
গান গাওঁ
আজি হাঁহি চাওঁ
হাঁহি চাওঁ
কিজানিবা জ্যোতি ৰং পাওঁ ॥
সময় সভাৰ ৰূপৰ শোভাই
জীৱন সজাবনে!
পলক-প্ৰীতিৰ গতি আশাই
সমাজ গঢ়িবনে!
তাৰে কথা ভাবি গুনি চাওঁ
কিজানিবা জ্যোতি ৰং পাওঁ ॥
গ্ৰহৰ গণি পোহৰৰ আহে
যেন জীৱন লহৰ
গ্ৰহৰ ভেদ গ্ৰহেই ভাঙে
যেন একেই দেহৰ
সেয়ে আজি সীমা ভাঙি যাওঁ
কিজানিবা গতিবেগ পাওঁ ॥
নিশাৰ সজাতে বন্দী ৰাজাই
নিয়ম ভাঙিবনে
জ্যোতিৰ যুগৰ আজি প্ৰজাই
পন-'কৰিবনে ঃ
শূল পোতা নিশা নাশি যাওঁ
কিজানিবা প্ৰীতি ফুল পাওঁ

—×—

*

## আমি পোহৰাম ॥

হেমন্ত কুমাৰ দত্ত (তৃতীয় বাৰ্ষিকবিজ্ঞান)

এই সন্ধ্যা সজাম সুৰেৰে আমি
এন্ধাৰ আতৰাই ফুলাম পোহৰৰ পাহি
সেই সুৰে দিব ধৰনীত শান্তি
আৰু জ্বলিব শ গছি সুৰবন্তি ।।
দুস্কৃতি ৰৰদৈ চিলাজনী
বাৰে বাৰে আহি যদি
শিখাগছি কঁপাই তোলে।
আমি গীতেৰে ৰৰদৈ চিলা আতৰাম
কণ্ঠ শোনিতেৰে শিখা উজ্জলাম
নতুন ৰূপে, নতুন সুৰে
হম অগ্ৰগামী—
প্ৰতি জনতাৰ মনে মনে
যি সুৰ আজি সুপ্ত
তাক আমিয়ে জগাম।
কাল এন্ধাৰৰ আঁৰে আঁৰে
যি জ্যোতি আজি লুপ্ত
তাক আমি পোহৰাম ॥
সুন্দৰৰ আলোকেৰে
আলোকিব ধৰা
আতৰাই ব্যথা-হত ক্লান্তি—

* * *

[ কলেজ সপ্তাহৰ সঙ্গীত প্ৰতিযোগীতাত শ্ৰেষ্ঠ পুৰস্কাৰ প্ৰাপ্ত সমবেত সঙ্গীত। ]

অলপ মোৰ কথা ॥

"সুন্দৰৰ বৰচ'ৰাৰ" এয়া পূৰ্ণৰূপ নহয়। এয়া আৰম্ভনীৰ ৰূপহে। এটা নৱ জন্মৰ ৰূপ। ন-ন সম্ভাৰেৰে পুষ্ট কৰি সুন্দৰ ৰূপে উলিয়াই দিয়াৰ দায়িত্ব ভৱিষ্যতৰ কানৈয়ানৰ হাতত। কালিৰ কানৈয়াণে দি থৈ যোৱা ৰূপতে আমি অকন নতুন ৰং সানিলো, কাইলৈৰ কানৈয়ানে আৰু সানিব লাগিব। সানিব পাৰিব। আমি আশা ৰাখিছোঁ। আমাৰ বিশ্বাসো আছে। শেষত এটি অনুৰোধ নৱজাত এই কেঁচুৱাটোৰ ভাৰ আপোনালোকৰ হাতত দিলো। ইয়াক ন সম্ভাৰেৰে যুৱক কৰাৰ দায়িত্ব আপোনালোকৰ সেই যৌৱন যেন চিৰ যৌৱন হয়। মৃত্যু যেন নাহে। নমস্কাৰ।



"নাট প্ৰতিযোগীতাৰ শ্ৰেষ্ঠ দল" - ১৯৬৭-৬৮ ঠিয় হৈ - (বাওঁফালৰ পৰা) মীৰা দিহিঙ্গীয়া, লীলা গগৈ, অৰুণা বৰুৱা। বহি (বাওঁফালৰ পৰা) অৰুণা ফুকন, বেনু সিং




শ্ৰীহেমন্ত দত্ত—"শ্ৰেষ্ঠ অভিনেতা" ১৯৬৭/৬৮

এওঁ এইবাৰৰে সৈতে তৃতীয়বাৰৰ বাবে কলেজৰ "শ্ৰেষ্ঠ অভিনেতাৰ' সন্মান অক্ষুন্ন ৰাখিলে।





# STUDENTS IN LIME LIGHT



Mr. Animesh Kumar Jain (L) and Rajkumar Kayal 2nd and first position in P. U. Sc. D.U. 1968 respectively.



Miss Anita Raychoudhury 5th. position in P. U. Arts. Exam. D. U 1968.



Mr. Pranab Kr. Dev. "Best literary man" of the year 1967-68 and "Best debator" in D. U. Debating Competition. 1967-68.